সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৫ সংখ্যা, ১৯ কাতি, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 45 Date Of Publication -6 November 2022 Rs.10.00/-

## ৰাজ্য চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেন্টছৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ একাডেমিক ব্লকৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ৰাজ্য চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিং আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেন্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানীয়ে এই চুক্তিত স্বাক্ষৰ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত আজি এক ঐতিহাসিক দিন। ৰাজ্য চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত স্বাক্ষৰিত এই বুজাবুজিৰ চুক্তিয়ে ৰাজ্যৰ চিকিৎসা শিক্ষাৰ দিশত এক নতুন দিগন্তৰ সূচনা কৰিলে। ৰাজ্য চৰকাৰে প্ৰথমবাৰৰ বাবে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ দিশত ব্যক্তিগত খণ্ডৰ সৈতে সহযোগিতাৰে পদক্ষেপ লবলৈ আগবাঢ়িছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক ব্লকৰ লগতে স্নাতক শ্ৰেণী আৰু ইন্টাৰ্ণ হোষ্টেলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডে কোম্পানীৰ সামাজিক দায়বদ্ধতা পুঁজি হিচাপে ১৫০ কোটি টকাৰ অৱদান আগবঢ়াইছে। তেওঁ লগতে কয় যে গুৱাহাটীৰ এই চিকিৎসা মহাবিদ্যালয়খনৰ স্থাপনৰ কাম আগুৱাই নিয়াৰ পদক্ষেপ হিচাপে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত এই বুজাবুজিৰ চুক্তি ৰূপায়ণ কৰা হৈছে। এই সহযোগিতাই চিকিৎসা মহাবিদ্যালয়খন স্থাপন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ চিকিৎসা বিজ্ঞান অধ্যয়নৰ আকাংক্ষা পূৰণৰ ক্ষেত্ৰত বাৰুকৈয়ে সহায় কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই

( দুই পৃষ্ঠাত চাওক)

## আম আদমী পাৰ্টীয়ে ঘোষণা কৰিলে গুজৰাটৰ বিধানসভা নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ নাম



ৰঙিলী বাৰ্ত্তাসেৱা- আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে শুকুৰবাৰে গুজৰাটত অহা মাহৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাক্তন টিভি এংকৰ আৰু সাংবাদিক ইচুদান গাধৱীক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰে। যোৱা সপ্তাহত কেজৰিৱালে লোকসকলক এছএমএছ, হোৱাটছএপ, ভইচ মেইল আৰু ই-মেইলযোগে দলটোৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছিল যাতে ৰাজ্যখনত দলটোৰ মুখ্যমন্ত্ৰী প্ৰাৰ্থী কোন হ'ব লাগে সেই বিষয়ে তেওঁলোকৰ মতামত প্ৰদান কৰিব পাৰে, যিটো বৰ্তমান ভাৰতীয় জনতা পাৰ্টীয়ে শাসন কৰি আছে। ১৬ লাখতকৈও অধিক লোকে ভোট দান কৰিছিল আৰু ৭৩ শতাংশই গাধৱীক পছন্দ কৰিছিল। ১৯৮২ চনৰ ১০ জানুৱাৰীত জামনগৰ জিলাৰ পিপালিয়া গাঁৱত ইচুদান গাধৱীৰ জন্ম হৈছিল। তেওঁৰ দেউতাক খেৰাজভাই এজন কৃষক আৰু গোটেই পৰিয়ালটোও খেতিৰ সৈতে জড়িত। ইচুদান গাধৱী এগৰাকী প্ৰাক্তন সাংবাদিক আৰু গুজৰাটৰ এজন জনপ্ৰিয় টিভি এংকৰ। তেওঁ ২০২১ চনৰ জুনত আপত যোগদান কৰিছিল। ইচুদান গাধৱী বৰ্তমান আপৰ ৰাষ্ট্ৰীয় যুটীয়া সাধাৰণ সম্পাদক আৰু লগতে দলটোৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য।

সম্পাদকীয়ঃ

## শৰৎ ভালপোৱা ভূপেন দা



ডক্টৰ ভূপেন হাজৰিকা, নামেই যাৰ পৰিচয়। অসমীয়াৰ হিয়াৰ আমঠু। যাৰ প্ৰতিটো গীতেই প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰ প্ৰবাহমান। যিদৰে তেওঁ অসম আমাৰ ৰূপহী গুণৰো নাই শেষ বুলি কৈছে, তেখেত সেই অসমৰে সুযোগ্য সন্তান তথা আমাৰ গৌৰৱ যাৰ গুণৰ তুলনা নাই। তেখেতে আমাৰ গীতি সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা অনবদ্য উপাদানেৰে অসমীয়াৰ গীতি সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমৰ জন-জীৱনৰ সকলো বিলাক সুখ-দুখ তেখেতৰ কাপৰ পৰা নিৰ্গত হৈছিল। মহাকবি কালিদাসৰ বিখ্যাত ঋতুসংহাৰত তেখেতে যিদৰে সকলো ঋতুৰ বৰ্ণনা কৰিছিল ঠিক সেইদৰে আমাৰ গীতিকাৰ জনেও প্ৰতিটো মায়াময় ঋতুক অতি সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছে। সেইবাবেই তেওঁৰ কাপৰ পৰা নিৰ্গত হৈছে কেইবাটাও কালজয়ী গীত। গীতিকবিৰ প্ৰিয় শৰৎ ঋতুক তেওঁ শাৰদী ৰাণীৰ লগত তুলনা কৰি এইদৰে গাইছে,

শাৰদী ৰাণী
তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতী নিশাৰ সপোন....

আকৌ, ১৯৬৯ চনৰ শৰৎৰ আন এটা কালজয়ী গীত

এটুকুৰা আলসুৱা মেঘ ভাঁহি যায়
মোৰ বনহংসই বাট হেৰুৱায়।
মই আছোঁ শাৰদীয় খিৰিকীমুখত
বুকুৰে বিচৰাজনলৈ বাট চাই...

অন্য এটি গীত হ'ল

তোমাৰ উশাহ কঁহুৱা-কোমল
শেৱালি-কোমল হাঁহি
হাঁহিয়ে হৃদয় হৰিলে শুনাই
এটি কিবা মিঠা বাঁহী।

এইদৰেই তেখেতে তেখেতৰ মানস পটৰ ৰাণীগৰাকীক বিভিন্ন ধৰনেৰে আবৰি ৰাখিছে আৰু আচৰিত কথা তেখেতৰ প্ৰিয় ঋতুতেই ২০১১ চনত ৫ নবেম্বৰত এই পৃথিৱীৰ পৰা মেলানি মাগিলে। আজি তেখেতৰ একাদশ মৃত্যু তিথিত তেখেতলৈ জনাইছো একাজলি শ্ৰদ্ধাঞ্জলি।

# বটদ্ৰৱাৰ অহোমগাঁৱত তিৱা সাহিত্য সভাৰ সজাগতা সভা সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- তিৱা ভাষা-সাহিত্যৰ উন্নয়ন আৰু বিকাশৰ উদ্দেশ্য আগত ৰাখি তিৱা মাথনলাই তখ্ৰা (তিৱা সাহিত্য সভা)ৰ উদ্যোগত নগাঁও জিলাৰ বটদ্ৰৱাৰ আহোমগাঁৱৰ নাট্য মঞ্চত এক বৰ্ণাঢ্য পৰিৱেশত দিনজোৰাকৈ তিৱা সাহিত্য সভাৰ সজাগতা সভা সম্পন্ন হৈ যায়। তদুপলক্ষে পুৱা এই অনুষ্ঠানৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ শুভাৰম্ভ কৰা হয়। সভা খনত অঞ্চলটোৰ কেইজনমান কৃতিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনাই সাহিত্য সভাই। আহোমগাঁও শাখা সাহিত্য সভাৰ সভাপতি উত্তম চন্দ্ৰ দেউৰীৰ সভাপতিত্বিত চলা সভা খনত তিৱা সাহিত্য সভাৰ নগাঁও জিলা সমিতিৰ সভাপতি বীৰেন লালুং, তিৱা সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দীপেন্দ্ৰনাথ বৰদলৈ, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি শৰৎ পাটৰ আমচি, কেন্দ্ৰিয় সমিতিৰ সম্পাদক বিদ্যুৎ বিকাশ সেনাপতি, নগাঁও জিলা সমিতিৰ সম্পাদক বলীন্দ্ৰ ডেকাৰজা, বিষ্ণু বৰদলৈ, সোনাৰাম পাটৰ, শৰৎ পাটৰ, চিত্ৰৰাম দেউৰীৰ লগতে অন্যান্য বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# এগৰাকী মানৱদৰদী আৰক্ষী বিষয়াৰ বাবে নতুন জীৱন পালে এগৰাকী লোকে



ৰঙিলী বাৰ্ত্তাসেৱা- এগৰাকী আৰক্ষী বিষয়াৰ মহানুভৱতা আৰু সাহসীকতাৰ বাবে নতুন জীৱন পালে এগৰাকী লোকে। ভৰা নৈত জাঁপ দি জীৱন্তে উদ্ধাৰ কৰিলে এগৰাকী আত্মহত্যা কৰিবলৈ লোৱা ব্যক্তিক। যোৱা ৩১ অক্টোবৰত নিজৰ জীৱনৰ নিৰাপত্তাক গুৰুত্ব নিদি কৰিমগঞ্জৰ পাথাৰকান্দি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (অ'চি) সমজিৎ বসুমতাৰী সমৰজিত বসুমতাৰীয়ে লঙ্গাই নদীত জঁপিয়াই এজন ডুবিব ধৰা ব্যক্তিক উদ্ধাৰ কৰে। আত্মহত্যা কৰিব বিচৰা লোক এজনক অতি কৌশলেৰে উদ্ধাৰ কৰে আৰক্ষী বিষয়াগৰাকীয়ে। আৰক্ষী বিষয়াগৰাকীৰ এনে সাহসিক কাৰ্যক এতিয়া অঞ্চলটোৰ সকলোৱে প্ৰশংসা কৰিছে। ইতিমধ্যে অসম আৰক্ষীয়েও আৰক্ষী বিষয়া গৰাকীৰ সাহস আৰু কৰ্মক প্ৰশংসা কৰি চ'চিয়েল মিডিয়াত পোষ্ট শ্বেয়াৰ কৰি কয়, 'তেওঁৰ এই আত্ম স্বাৰ্থ বিহীন সেৱা সমগ্ৰ অসম আৰক্ষীৰ বাবেই গৌৰৱৰ নিদৰ্শন। আমি তেওঁৰ এই সাহসিকতাক প্ৰণাম জনাইছোঁ। ভগৱানে তেওঁক যেন সদায় আশীৰ্বাদ দিয়ে।'

# ফিটনেছ চাৰ্টিফিকেট নিদিয়াকৈ ৰাইজৰ বাবে মুকলি কৰি দিছিল গুজৰাটৰ দলংখন





ৰঙিলী বাৰ্ত্তাসেৱা- গুজৰাটত দলং খহি যোৱা শোকাবহ ঘটনাত নিহতৰ সংখ্যা ১৪১জনলৈ বৃদ্ধি পাইছে। মৃতকৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা। অব্যাহত আছে উদ্ধাৰ অভিযান। ঘটনাস্থলীত উপস্থিত হৈ এনডিআৰএফ, এছডিআৰএফ, সেনা, বায়ুসেনা আৰু নৌসেনাই চলাইছে অভিযান। নিহতসকলৰ ভিতৰত মহিলা, শিশু আৰু বয়োজ্যেষ্ঠ লোকো আছে। ১৭৭ জন লোকক অভিযানকাৰী দলে উদ্ধাৰ কৰিছে। ছট্ পূজা চলি থকাৰ সময়তে সংঘটিত হৈছিল এই ঘটনা। দলংখনত দুৰ্ঘটনাৰ সময়ত আছিল ৫ শতাধিক লোক। মৃতকৰ পৰিয়াললৈ আৰ্থিক সাহায্য ঘোষণা ভূপেন্দ্ৰ পেটেলৰ। প্ৰতিগৰাকী মৃতকৰ পৰিয়াললৈ ৪ লাখকৈ সাহায্য প্ৰদানৰ ঘোষণা। আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰাৰ ঘোষণা মুখ্যমন্ত্ৰীৰ। উল্লেখযোগ্য যে এই দলংখন মেৰামতি আৰু নৱীকৰণৰ ৪ দিন পিছতে জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হৈছিল। ফিটনেছ চাৰ্টিফিকেট নিদিয়াকৈ ৰাইজৰ বাবে মুকলি কৰি দিছিল দলং। এই দুখজনক ঘটনাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহমেদাবাদত নিজৰ ৰোড শ্ব' বাতিল কৰিছে।

# পুনৰ ঘোচ লৈ গ্ৰেপ্তাৰ জলসম্পদ বিভাগৰ দুই কৰ্মচাৰী





ৰঙিলী বাৰ্ত্তাসেৱা- লখিমপুৰ জল সম্পদ বিভাগৰ অধীক্ষক অভিযন্তা কাৰ্যালয়ৰ দুজন কৰ্মচাৰীক আজি উৎকোচ লোৱাৰ অভিযোগত দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰে। জ্যেষ্ঠ সহায়ক তৰুণ চন্দ্ৰ মৰাং আৰু নিম্ন বৰ্গৰ সহায়ক সমৰজ্যোতি শইকীয়াক দুৰ্নীতি নিবাৰক শাখাৰ দলটোৱে উৎকোচ লৈ থকাত আটক কৰে।

# অসমীয়াৰ আবেগৰ 'বুঢ়ী আইৰ সাধু'ক স্পেনিছ ভাষালৈ অনুবাদ ডুমডুমাৰ তন্ময় সোণোৱালৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া ভাষা সংস্কৃতিলৈ সুখবৰ। বিশ্ববাসীয়ে এতিয়া 'বুঢ়ী আইৰ সাধু' স্পেনিছ ভাষাটো পঢ়িবলৈ পাব। স্পেনিছ ভাষালৈ অনুবাদ হ'ল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি 'বুঢ়ী আইৰ সাধু'। অসমীয়াৰ আবেগৰ 'বুঢ়ী আইৰ সাধু'ক স্পেনিছ ভাষালৈ অনুবাদ কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছে ডুমডুমাৰ তন্ময় সোণোৱালে। জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ তন্ময় সোণোৱালে ২০২০ চনৰ পৰাই বিশ্বৰ তৃতীয় বহুল প্ৰচলিত স্পেনিছ ভাষালৈ 'বুঢ়ী আইৰ সাধু'ৰ প্ৰতিটো সাধু অনুবাদ কৰাৰ কামত ব্ৰতী হৈছিল। সম্প্ৰতি ছপা আকাৰত দেশ তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ কিতাপৰ বিপণীত এই স্পেনিছ ভাষাৰ 'বুঢ়ী আইৰ সাধু' উপলব্ধ হোৱাৰ লগতে অনলাইন শপিং এপ এমাজন আৰু ফ্লিপকাৰ্টতো উপলব্ধ হৈছে। উল্লেখযোগ্য যে, এই প্ৰচেষ্টাৰ জৰিয়তে ৰসৰাজৰ সৃষ্টি সমূহক বিশ্ববাসীৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে তন্ময়ে। এই গ্ৰন্থখন স্পেনিছ ভাষাৰ পঢ়ুৱৈ সমাজে আদৰি লোৱা বুলি জানিব পৰা গৈছে। বৰ্তমান ফ্লিপকাৰ্ট আৰু এমাজনত উপলব্ধ এই গ্ৰন্থখনি আদৰি লৈছে বিদেশী গ্ৰাহকসকলে।

# ৰাজ্য চৰকাৰ

চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক ব্লকৰ লগতে স্নাতক শ্ৰেণী আৰু ইন্টাৰ্ণ হোষ্টেলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডে কোম্পানীৰ সামাজিক দায়বদ্ধতা পুঁজি হিচাপে ১৫০ কোটি টকাৰ অৱদান আগবঢ়াইছে। তেওঁ লগতে কয় যে গুৱাহাটীৰ এই চিকিৎসা মহাবিদ্যালয়খনৰ স্থাপনৰ কাম আগুৱাই নিয়াৰ পদক্ষেপ হিচাপে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত এই বুজাবুজিৰ চুক্তি ৰূপায়ণ কৰা হৈছে। এই সহযোগিতাই চিকিৎসা মহাবিদ্যালয়খন স্থাপন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ চিকিৎসা বিজ্ঞান অধ্যয়নৰ আকাংক্ষা পূৰণৰ ক্ষেত্ৰত বাৰুকৈয়ে সহায় কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ চিকিৎসা খণ্ডৰ সামগ্ৰিক বিকাশৰ প্ৰয়োজনীয়তা বিবেচনা কৰি প্ৰধানমন্ত্ৰীয়ে চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী খণ্ডৰ সৈতে সহযোগিতা আগবঢ়াবলৈ কৰ্পৰেট খণ্ডসমূহক আহ্বান জনাইছে। ৰাজ্য চৰকাৰে স্বাস্থ্য আন্তঃগাঁথনি আৰু চিকিৎসা বিজ্ঞানৰ শৈক্ষিক সুযোগ বৃদ্ধি কৰাৰ উপৰি অত্যাধুনিক স্বাস্থ্য সেৱা প্ৰদানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানী, দামানী ফাউণ্ডেচনৰ হেড ট্ৰাষ্টী মধু চন্দায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিং প্ৰমুখ্যে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# অসম মীন উন্নয়ন নিগম লিমিটেডৰ অধীনত কৰ্মৰত ২২ জনক অব্যাহতি



ৰঙিলী বাৰ্তাসেৱা- অসম মীন উন্নয়ন নিগম লিমিটেডৰ অধীনত ২০১৭ চনৰ পৰা কৰ্মৰত ২৫ জনৰ ৩ জনক ৰাখি ২২ জনক অব্যাহতি দিয়ে।উক্ত কৰ্মচাৰীয়ে এবছৰ ধৰি দৰমহা পোৱা নাই। আজি দিছপুৰ প্ৰেছক্লাবত অসম মীন উন্নয়ন নিগম লিমিটেডৰ ২০১৭ অনুষ্ঠিত সংবাদ মেলত কৰ্মৰত হেমন্ত হাজৰিকা আৰু বালিন্দ্ৰ কুমাৰ হাজৰিকাই এই মন্তব্য কৰে। সংবাদ মেলত পুনৰ তেওঁলোকে কয়-এহ ৩ জনৰ ভিতৰত এজন শ্বহীদ কুশল কোঁৱৰৰ নাতি ৰাহুল কোঁৱৰ। তেওঁ গোলাঘাটত কৰ্মৰত। আন দুজনৰ ভিতৰত সুমিত্ৰা দাস গুৱাহাটীৰ মীন বিভাগত কৰ্মৰত আৰু মমতাজ বেগম বৰাক উপত্যকাত কৰ্মৰত। এই লোকসকলে অসমৰ বিভিন্ন জিলাৰ বিলসমূহৰ স্থানীয় মাছমৰীয়া, অনুসূচিত জাতিৰ লোক, অতি দুখীয়া পৰিয়ালৰ নিৰনুৱাৰ বাবে বিগত সময়ত নিগমৰ লগত পৰোক্ষ বা প্ৰত্যক্ষভাৱে জড়িত আছিল। ২০১৭ চনৰ ১৭ ফেব্ৰুৱাৰীত এটা বিজ্ঞাপনৰ জৰিয়তে বিলৰ কাষৰ নিৰনুৱাক বিলৰ উন্নয়নৰ বাবে নিগমে আবেদন বিচাৰিছিল। পৰৱৰ্তী সময়ত বিভিন্ন প্ৰক্ৰিয়াৰে বাচনি কৰি ঠিকাভিত্তিক কৰ্মী হিচাপে যোগদান কৰা হয়। সেই সময়ৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু আজিৰ মীনমন্ত্ৰী পৰিমল শুক্লবৈদ্য, কামাখ্যা তাচা, মন্ত্ৰী অতুল বৰা আদিয়ে শ্বহীদ কুশৰ কোঁৱৰৰ নাতি ৰাহুল কোঁৱৰৰ ঘৰত গৈ প্ৰতিশ্ৰুতি দি নিযুক্তি দিছিল। সেই সময়ৰ নিগমৰ পৰিচালন সঞ্চালক এছ কে দাস আৰু অধ্যক্ষ, মন্ত্ৰী পৰিমল শুক্লবৈদ্য আছিল। পৰৱৰ্তী সময়ত পৰিচালন সঞ্চালক অনামিকা তিৱাৰীয়ে ২০১৮ চনৰ ১০ জুলাইত ঠিকাভিত্তিক ১১ মাহ সময়তকৈ বৃদ্ধি নকৰি অব্যাহতি দিয়ে। পাছত ন্যায় বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপত উচ্চ ন্যায়ালয়ে কেছ নং WP(C)3317/2018/ 49.33/2018 ৰ অনুসৰি পুনৰ সংস্থাপন কৰিবলৈ নিগমত আদেশ দিয়াত ২০১৯ চনৰ ২৮ ফেব্ৰুৱাৰীত দৈনিক হাজিৰা ভিত্তিত যোগদান কৰি পৰৱৰ্তী সময়ত আকৌ ঠিকাভিত্তিক কৰ্মী হিচাপে নিযুক্তি দিয়ে। পাছত ২০২০ চনত নিয়মীয়া কৰ্মী হিচাপে নিগমে নিযুক্তি দিয়াৰ সময়ত ২৭, ৫০০ টকা দৰমহা পাইছিল।তাৰোপৰি ২০১৭ চনত চিফৰি গুৱাহাটী, এনএফদিবি হায়দৰাবাদত আৰু ২০১৯ চনত আইচিএআৰ চিফৰি ভুৱনেশ্বৰ, উৰিষ্যা আদিত মীন বিষয়ত প্ৰশিক্ষণ দিয়া হয়। ২০১৭ চনৰ পৰা ২০২১ চনলৈ বিভিন্ন সময়ত পদোন্নতি আৰু বিভিন্ন কামত এলটমেন দিয়া হৈছিল। নিগমৰ এম ডি প্ৰশান্ত বৰকাকতি, অধ্যক্ষ গুৰুজ্যোতি দাসে বিভিন্ন কেলিংকাৰিৰ বাবে ২০২১-২২ বৰ্ষৰ নিযুক্তি পোৱাসকলৰ লগত সাঙুৰি এবছৰে দৰমহা নিদিয়াৰ লগতে কামৰ পৰা অব্যাহতি দিয়ে। অতিশীঘ্ৰে উক্ত ২২ জনক পুনৰ নিযুক্তি দিয়াৰ বাবে চৰকাৰক আহ্বান জনায়।

# গুৱাহাটীত 'মাছ'ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস



ৰঙিলী বাৰ্তাসেৱা- মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ জন্ম হোৱা আজি ৩২ বছৰ হ'ল। গুৱাহাটীৰ চানমাৰিস্থিত পেন্সনাৰ ভৱনত অনুষ্ঠিত 'মাছ'ৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত অসমৰ জনগনৰ মানৱ অধিকাৰ ৰক্ষাৰ সংগ্ৰামখনি আগবঢ়াই নিবলৈ সংগঠনটোৱে দৃঢ় সংকল্পৰ কথা দোহাৰে। বিশেষভাৱে সক্ষম মানৱাধিকাৰ কৰ্মী জি, এন চাইবাবাকে ধৰি দেশৰ গণতান্ত্ৰিক অধিকাৰ আন্দোলনৰ বহুকেইজন আগশাৰীৰ নেতাক আপাৰ দৰে কুখ্যাত আইনত ভুৱা গোচৰত কাৰাবন্দী কৰি ৰখা কাৰ্যক মুকলি সভাখনত গৰিহণা দিয়া হয় আৰু এনে কাৰ্যৰ প্ৰতিবাদ কৰি সকলো ৰাজনৈতিক বন্দীকে বিনাস্বৰ্তে মুক্তি দিবলৈ দাবী জনোৱা হয়। 'মাছ'এ আগন্তুক দিনবোৰত মানৱ অধিকাৰ উলংঘনৰ সকলো তথ্য সংগ্ৰহ, প্ৰচাৰ আৰু প্ৰতিবাদ তথা আইনী প্ৰতিকাৰৰ হকে কাম কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি এইক্ষেত্ৰত ইংৰাজীত 'ভয়চ অব মাছ' আৰু অসমীয়াত 'মানৱ অধিকাৰ' নামৰ মুখপত্ৰ দুখন নিয়মীয়াকৈ প্ৰকাশ কৰাৰো কৰ্মসূচী গ্ৰহণ কৰে। সংগঠনটোৱে এচাম সৰ্বক্ষণীয়া সজাগ-সচেতন মানৱাধিকাৰকৰ্মী গঢ় দিয়াৰ উদেশ্যে ডিচেম্বৰ মাহত দেশ-বিদেশৰ সমল ব্যক্তিৰ অংশগ্ৰহণেৰে দুদিনীয়াকৈ এখন কৰ্মশালা আয়োজন কৰিবলৈকো প্ৰস্তাৱ গ্ৰহণ কৰে। 'মাছ'ৰ সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকাই আঁত ধৰা আৰু অধ্যক্ষ আদিত্য লহকৰে সভাপতিত্ব কৰা মুকলি সভাখনত প্ৰতিষ্ঠাপক অধ্যক্ষ সাংসদ অজিত কুমাৰ ভুঞা, উপদেষ্টা বুবুমনি গোস্বামী, লাচিত বৰদলৈ, আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়া, বিশিষ্ট বুদ্ধিজীৱী ৰফিউল হুছেইন বৰুৱা, ৰাজকুমাৰ বৈশ্য, মাছৰ কাং অধ্যক্ষ কেশৱ চহৰীয়া, উপাধ্যক্ষ কমল বৰা আৰু মাছৰ কেন্দ্ৰীয় তথা জিলাৰ বহুসংখ্যক কৰ্মীয়ে অংশগ্ৰহণ কৰে। পুৱা বামুনীমৈদামৰ কেন্দ্ৰীয় কাৰ্যালয়ত প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে অধ্যক্ষ আদিত্য লহকৰে আৰু শ্বহীদ পৰিয়ালৰ দ্বাৰা শুভাৰম্ভ কৰা শ্বহীদ তৰ্পণ অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে সমবেত 'মাছ'ৰ কৰ্মীসকলে।

# ৰাইজক চুলাইৰ সলনি ভাল সুৰা সেৱন কৰিবলৈ আহ্বান আৰকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ



ৰঙিলী বাৰ্তাসেৱা-ৰাজ্যত শীঘ্ৰেই বৃদ্ধি হ'ব সুৰাৰ বিপণী। সকলো বাৰৰ অনুজ্ঞাপত্ৰ সুৰাৰ বিপণীলৈ পৰিৱৰ্তন হ'ব। হিমন্ত বিশ্ব চৰকাৰৰ সময়ত মাত্ৰ ২০ খন সুৰাৰ বিপণীৰ বাবে বিজ্ঞাপন দিয়া হৈছে। ১০ খন অনুজ্ঞাপত্ৰ এতিয়ালৈ দিয়া হ'ল। এইবাৰ বিত্তীয় বৰ্ষত আৰকাৰী ৰাজহ বৃদ্ধি হ'ব। যোৱা বিত্তীয় বৰ্ষত ৩০০০ কোটি টকা ৰাজহ সংগ্ৰহ হৈছিল। ২০১৬ ত চৰকাৰ আহোতে আমি বাৰৰ অনুমতি দিয়া নাছিলো। কিন্তু এতিয়া আমি দেখিছো যিবোৰ অঞ্চলত ৱাইন শ্ব'প নাই তাত মানুহে চুলাই বা অৰুণাচলৰ সুৰা খায়। যাৰ বাবে আমাৰ ৰাজহ লোকচান হয়। ৰাজহ সংগ্ৰহৰ বাবে নহয় অৰুণাচলৰ, অবৈধ সুৰা ৰোধ কৰিবৰ বাবেহে আমি নতুন অনুজ্ঞাপত্ৰ দিম। ক'ত অনুজ্ঞাপত্ৰ দিব পাৰি আমি ছাৰ্ভে কৰি দিম। -এই মন্তব্য আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ। ৰাইজক চুলাইৰ সলনি ভাল সুৰা সেৱন কৰিবলৈ আহ্বান আৰকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ। পৰিমল শুক্লবৈদ্যই কয়, "আমি সুৰাপান কৰিবলৈ দিয়া নাই, কিন্তু অবৈধ প্ৰক্ৰিয়াটো বন্ধ কৰিব খুজিছো। আমি ৰাজহ সংগ্ৰহ কৰিব খোজো। কোনো লোকে যদি সুৰা পান কৰে ভাল সুৰা পান কৰক। লোকেল চুলাই পান কৰি বহু লোকৰ মৃত্যু হৈছে। মানুহে যাতে ভাল সুৰা পান কৰি জীয়াই থাকে তাৰ চিন্তা কৰিছো। জনগোষ্ঠীয় পানীয়ও যাতে ভালদৰে বিক্ৰী কৰিব পাৰে তাৰ বাবেও আমি আইন অনাৰ কথা চিন্তা কৰিছো। সুৰা বিক্ৰী বা ব্যৱহাৰ বেছি হোৱা নাই, আমি মূল্যও বৃদ্ধি কৰা নাই, মাথোঁ ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থাতো উন্নত কৰিছো।"

# বাংগালুৰুত সফলতাৰে সম্পন্ন হ'ল শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ অস্ত্ৰোপচাৰ



ৰঙিলী বাৰ্তাসেৱা- বাংগালুৰুৰ নাৰায়াণা হেলথ চিটি হাস্পতালত সফলতাৰে সম্পন্ন হ'ল শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ অস্ত্ৰোপচাৰ। চুপ্ৰাভেন্ট্ৰিকুলাৰ টেকিকাৰডিয়া ৰোগত আক্ৰান্ত অখিল গগৈৰ অস্ত্ৰোপচাৰ শুকুৰবাৰে দিনৰ ভাগত সফলতাৰে সম্পন্ন হয়। ডাঃ শ্ৰেচা শংকৰ মাইয়া আৰু ডাঃ কপিল কুমাৰটৰ তত্বাৱধানত বিধায়ক অখিল গগৈৰ অস্ত্ৰোপচাৰ সম্পন্ন হয়। বৰ্তমান তেখেতক পৰ্যবেক্ষণৰ বাবে চি চি ইউত ৰখা হৈছে। চিকিৎসকে অখিল গগৈ সম্পূৰ্ণ বিপদমুক্ত বুলি জানিবলৈ দিয়াৰ লগতে চিন্তাৰ কোনো কাৰণ নাই বুলি উল্লেখ কৰিছে।

# সাধাৰণ হৈয়ো অসাধাৰণ ব্যক্তি বশিষ্ঠ দেৱশৰ্মা

গোপাল জালান

মানৱতাৰ জয়গান গোৱা লোকসকলে জন্মতে আন দহ গৰাকী সাধাৰণ লোকৰ দৰেই জন্মে। কিন্তু বয়সৰ লগে লগে তেওঁলোকে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে অসাধাৰণ হৈ পৰে। এই অসাধাৰণ ব্যক্তিসকলে পৃথিৱীৰ জনপ্ৰিয় ব্যক্তি হিচাবে পৰিচিত হ'বলৈ এইবোৰে কাম নকৰে। তেওঁলোকে কৰা কামত মানৱতাৰ নিদৰ্শন ফুটি উঠে। সমাজৰ প্ৰতিটো স্তৰৰ লোকে ক'বলৈ বাধ্য হয়, তেওঁৰ অৱদানৰ কথা। জতি-ধৰ্ম-বৰ্ণ, ভাষা নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মংগলৰ বাবে তেওঁলোকে কাম কৰে। এনে এগৰাকী ব্যক্তি আছিল বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱশৰ্মা। মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শেৰে আগবাঢ়ি যোৱা বশিষ্ঠ দেৱশৰ্মাই জীৱনৰ অধিকাংশ সময়েই সমাজ গঢ়াত অতিবাহিত কৰিলে। নিজৰ ঘৰখন যিমান আপোন আছিল, সমানেই আপোন আছিল সমাজখন। সমাজত যাতে কোনো ধৰণৰ অপশক্তিয়ে গা কৰি কাৰোৱে অপকাৰ কৰিব নোৱাৰে তাৰ ওপৰত তেখেত গুৰুত্ব প্ৰদান কৰিছিল বাবে তেওঁৰ মৃত্যুৰ লগে লগে সমাজৰ প্ৰতিটো স্তৰৰ লোক শোকত ম্ৰিয়মাণ হৈছে।

বশিষ্ঠ দেৱশৰ্মাক ব্যক্তি বুলি কোৱাৰ পৰিৱৰ্তে অনুষ্ঠান বুলি ক'লেই সমীচিন হ'ব। সমাজ তথা মানৱ সম্পদ গঢ়াৰ খনিকৰ আছিল এইগৰাকী বুঢ়াসত্ৰীয়াই সত্ৰীয়া সংস্কৃতিৰ লগতে মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টিসমূহক শুদ্ধ আৰু সঠিক ৰূপত নৱ-প্ৰজন্মৰ মাজত উপস্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। জীৱন জুৰি মানৱ প্ৰেম নিঃস্বাৰ্থে সেৱা আৰু আৰু অদম্য মনোবলৰ বাবে সকলোৰে মাজত সমীহ আদায় কৰিব পৰা ব্যক্তিত্বৰ অধিকাৰী আছিল। বৰগীত, গুৰু ভটিমা, বৰতাল লৈ নাম-কীৰ্তন কৰাৰ উপৰি হোলী-গীত, নাওখেলৰ গীত আদি পৰিৱেশন কৰাত তেখেত আছিল অনন্য। এইবোৰ সংস্কৃতি জীয়াই ৰাখিবলৈ তেখেতে সাধনাৰ সময়ত একাত্ম হৈ পৰিছিল বাবে জীৱনৰ বিয়লি বেলালৈকে চৰ্চা কৰিব পাৰিছিল।

বশিষ্ঠ দেৱশৰ্মাই সকলো মানুহৰে লগত অতি সহজেই মিলিব পাৰিছিল।



তেখেতক বিভিন্ন সময়ত ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য ঘটিছিল। আমাক দেখা পালেই ঘৰৰ লগতে পৰিয়ালৰ কুশল-বাৰ্তা সুধিছিল। শান্ত, সৌম্য বশিষ্ঠ দেৱশৰ্মাই গুৰু-গম্ভীৰ কণ্ঠস্বৰে যিকোনো কথা সুধিলেও তাৰ মাজত বিচাৰি পোৱা গৈছিল ক'লা। তেখেতৰ কথা আৰু ব্যক্তিত্বত আছিল সন্মোহিনী শক্তি। পোন্ধৰ বছৰমান পূৰ্বে তেখেত আমাৰ পাঠশালাৰ ঘৰত ভাগৱত ব্যাখ্যাৰ বাবে গৈছিল। তেখেতৰ সুন্দৰ ভাঙনি তথা সুমধুৰ ব্যাখ্যাই সকলোৰে মন-প্ৰাণ আপ্লুত কৰে। এইগৰাকী

(আঠপৃষ্ঠাত চাওক)

# তুমি মোৰ এজন সঁচা প্ৰেমিক

ৰাতুল দাস, নগাঁও



তুমি মোৰ
পুৱাৰ প্ৰাৰ্থনাৰ
এটি ভাল লগা অনুভৱ।
হৃদয়ৰ ভায়লিনত
বাজি উঠা সুৰৰ মূৰ্ছনা,
য'ত আৰম্ভ হয়
মোৰ প্ৰতিটো দিন
তোমাৰ সুৰৰ লহৰত।
এতিয়া তুমি মোৰ
বুকুত গজি উঠা
এক প্ৰেমৰ অনুৰণন।
মোৰ উশাহত
কঁপি উঠা হৃদপিণ্ডৰ
এটি মৃদু স্পন্দন,
য'ত কেৱল শুনা পোৱা যায়
তোমাৰ সুৰৰ ঝংকাৰ।
মই বিলীন হৈ পৰোঁ
তোমাৰ আৱেশ সনা সুৰৰ ছন্দত।
ভালপোৱাৰ অনুভূতিবোৰ
থুপখাই পৰে
মোৰ বুকুত,
এধানি মৰমৰ সুবাসে
অনুৰাগ জগাই তোলে
মোৰ কলিজাৰ অতল গহ্বৰত।।
তোমাক ভাল পোৱাৰ স্বাৰ্থত,
ন ন সুৰৰ লহৰ সৃষ্টি হয়
হৃদয়ৰ একোণত,
গোপনে গোপনে
প্ৰেমৰ বাসনা বোৰে ঠাঁই ধৰি উঠে
মনৰ গহণত,
কেৱল তোমাক কাষত পোৱাৰ হেঁপাহত।।
তুমি মোৰ
পুৱাৰ প্ৰাৰ্থনাৰ
এটি ভাল লগা অনুভৱ,
হৃদয়ৰ ভায়লিনত
বাজি উঠা সুৰৰ মূৰ্ছনা।
তুমি মোৰ
এজন সঁচা প্ৰেমিক
য'ত বিচাৰি পাওঁ মাথোঁ
নিজাকৈ এটি স্থায়ী ঠিকনা।

# প্লাষ্টিক আৰু আমি



বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্লাষ্টিকৰ সামগ্ৰীবোৰ দেখিলে কেনেকুৱা লাগে বাৰু? আমি প্লাষ্টিকৰ মাজতেই সোমাই আছোঁ যেন নালাগেনে? খাদ্য বস্তু সংৰক্ষণ কৰি থোৱা পাত্ৰটোৰ পৰা আৰম্ভ কৰি গা ধোৱা ঘৰৰ আচবাব, গাড়ী, আকাশীযান, অন্তৰীক্ষ যান, জোতা -চেন্দেল, ঘৰৰ আচবাব, ঘৰ সজোৱা ৰঙীন বিভিন্ন সামগ্ৰীকে ধৰি এখন দীঘল তালিকা পাম প্লাষ্টিকৰ সামগ্ৰীৰ। এই প্লাষ্টিক বোৰ আচলতে কি বাৰু! মানৱ সৃষ্ট আঁহৰ দৰে এই প্লাষ্টিক বোৰ হৈছে একো একোটা ৰাসায়নিক পদাৰ্থৰ দ্বাৰা গঠিত সৰু সৰু গোট বোৰ লগ লাগি প্ৰস্তুত কৰা ডাঙৰ গোটৰ পলিমাৰ বা বহুযোগী। সচৰাচৰ ব্যৱহাৰ কৰা পলিথিনৰ মোনা বোৰ হৈছে প্লাষ্টিকৰ উদাহৰণ। পদাৰ্থ এটাক নভঙাকৈ নতুন আকাৰ দিব পৰা গুণক "নমনীয়তা" (প্লাষ্টিচিটি) বুলি কোৱা হয়। প্লাষ্টিকৰ এই গুণ থকাৰ বাবে এই গুণৰ নামেৰেই বহুযোগী যৌগ টোৰ নাম প্লাষ্টিক দিয়া হয়। কিছুমান প্লাষ্টিক সহজে ভাজ কৰিব পাৰি, তাপ দি যি কোনো আকৃতি দিব পাৰি। তেনে প্লাষ্টিক বোৰক থাৰ্মপ্লাষ্টিক বা তাপ নমনীয় প্লাষ্টিক বুলি কোৱা হয়। এনে প্লাষ্টিকৰ পৰা পলিথিন, প্লাষ্টিকৰ বটল, খেলনা, ফণী, নানা ধৰণৰ পাত্ৰ আদি তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। জোতা -চেন্দেল, কিছু কাপোৰ, চকী ক'ভাৰ তৈয়াৰ কৰাত PVC ব্যৱহাৰ কৰা হয়। PVC ৰ সম্পূৰ্ণ নাম হৈছে poly-vinyl chloride.

আন এক প্ৰকাৰৰ প্লাষ্টিক আছে যিবোৰ ভাজ কৰিলে ভাঙি যায়। অৰ্থাৎ এবাৰ আকৃতি দিয়াৰ পাছত তাপ দিলেও কোমলাব নোৱাৰি। এনে প্লাষ্টিকক থাৰ্মছেটিং প্লাষ্টিক বা তাপ দৃঢ় প্লাষ্টিক বোলা হয়। বেকেলাইট আৰু মেলামাইন হ'ল তাপ দৃঢ় প্লাষ্টিক। ইহঁত তাপ আৰু বিদ্যুতৰ কু-পৰিবাহী। বৈদ্যুতিক চুইচ, বিভিন্ন বাচন বৰ্তনৰ নাল আদি তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। অধিক গুণ সম্পন্ন মেলামাইনে অগ্নি ৰোধ কৰে। সেয়ে অগ্নি নিৰ্বাপক বাহিনীৰ কৰ্মচাৰীৰ পোছাক

(আঠপৃষ্ঠাত চাওক)

# ব্ৰহ্মপুত্ৰ উদ্যোগ প্ৰাঃ লিঃ

# Brahmaputra Udyog Pvt. Limited

**REGISTERED OFFICE:- Panbazar, Ghy-1**

***Manufactures of:-***

**uPVC Pipes, Casing & Ribbed Screens, Plumbing Pipes, PVC Hoses Conduits, Fittings, Direct Action (TARA) Hand Pump, HdpePipes Rain Water Harvesting System etc.**

**JANASANYOG- 2881/22**

Azadi Ka Amrit Mahotsav

আপোনাৰ বেংক একাউণ্ট নম্বৰ, ডেবিট-ক্ৰেডিট কাৰ্ড নম্বৰ, পিন, চি ভি ভি নম্বৰ, অ' টি পি কাৰো লগত শ্বেয়াৰ নকৰিব।



**আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হ'ব পাৰে।**

যদি আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হৈছে, তেন্তে তত্‌তালিকে অভিযোগ দাখিল কৰক

**২৪X৭ হেল্পলাইন নং ১৯৩০ ত**

চাইবাৰ অপৰাধৰ গোচৰ www.cybercrime.gov.in ত অনলাইনযোগে দাখিল কৰক।

প্ৰতিটো পলতে আপোনাৰ সেৱাত অসম আৰক্ষী

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাটছএপ কৰক | তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam diprassam.gov.in

# ইতিবাচক চিন্তাৰ কলা
# “The Art of positive thinking”

**ব্ৰহ্মাকুমাৰ আকাশ সাহা,সৰভোগ**



আজি প্ৰতিজন মানুহে বিচাৰে যে- তেওঁৰ জীৱনত প্ৰকৃত সুখ আৰু শান্তি থাকিব লাগে, কাৰোবাক মই ভাল পাওঁ, ইফালে আন কোনোবাই মোক ভাল পাওঁক, সকলোৰে প্ৰতি প্ৰেম-ভালপোৱা আৰু সন্মান থাকিব লাগে। চাৰিওফালে সকলোয়ে সুখত থাকিব লাগে। সেইবাবে মানুহে আজি যিমান পাৰে ভৌতিক আৰু বৈজ্ঞানিক সম্পদ সমূহ মুক্তভাৱে ব্যৱহাৰ কৰিছে। কিন্তু এটা বিড়ম্বনৰ কথা যে মানুহে এই সম্পদ সমূহত লিপ্ত হোৱাৰ লগে লগে তেওঁৰ মানসিক শান্তি; তেওঁৰ বাবে এক কল্পনাত পৰিণত হৈছে আৰু তেওঁ পূৰ্বতকৈ অধিক দুখ, অশান্তি আৰু বিচলিত হৈ পৰিছে।

এটা সময় আছিল যেতিয়া এই সৃষ্টিত সম্পূৰ্ণ সুখ আৰু শান্তিৰ ৰাজ্য আছিল, সিংহ আৰু গৰু এটা ঘাটত পানী খাইছিল, দেৱতুল্য মনুষ্য নিৱাস কৰিছিল, কিন্তু আজি এই সৃষ্টি দুখৰ কাঁইটৰ অৰণ্যত পৰিণত হৈছে। মানুহ মানুহৰ তেজৰ পিয়াসী হৈ পৰিছে, ইয়াত একোৰেই যেন সুৰক্ষিত নহয়। মানুহৰ জীৱন, মানুহৰ সন্মান, আনকি প্ৰকৃতিৰ পাঁচতত্ব মানুহৰ দুখ আৰু ভৱিষ্যতৰ ধ্বংসৰ স্পষ্ট কাৰণ হৈ পৰিছে। এতিয়া যেন এই পৃথিৱীখন ভেন্টিলেটৰত পৰি মৃত্যুৰ শেষ মুহূৰ্তলৈ অপেক্ষা কৰি থকা ৰোগীৰ দৰে হৈ পৰিছে।

মানুহৰ নেতিবাচক চিন্তাধাৰাবোৰেই তেওঁৰ চৌপাশৰ পৰিৱেশৰ সৃষ্টি আৰু ধ্বংসৰ বাবে দায়ী। মানুহ এজনে যেনেদৰে ভাবে, তেনেদৰেই চিন্তাৰ তৰংগ সৃষ্টি হয় আৰু সেই তৰংগই পদাৰ্থ আৰু চেতনা দুয়োটাকে সমানে প্ৰভাৱিত কৰে। পৃথিৱীৰ বহু বিজ্ঞানীয়ে এতিয়াও এই বিষয়ত গৱেষণা কৰি আছে। শেহতীয়াকৈ জাপানীজ বিজ্ঞানী ডাঃ মাছাৰুৱে শব্দৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰি এক অনন্য পৰীক্ষা চলাই এই সিদ্ধান্তত উপনীত হৈছে যে আমাৰ চিন্তাধাৰা আৰু শব্দৰ কম্পনে কেৱল চেতনাতে নহয়, পানীৰ দৰে নিষ্ক্ৰিয় বস্তুতো একে প্ৰভাৱ পেলায়। সাধাৰণতে মানুহৰ শৰীৰৰ ৬০ ৰ পৰা ৭০ শতাংশ পানী থাকে। আন এটা গৱেষণাৰ মতে, এজন ব্যক্তিয়ে ভবাৰ দৰে তেওঁৰ শৰীৰৰ পৰা হৰমʼন্চ নিৰ্গত হʼবলৈ আৰম্ভ কৰে। সেই অনুসৰি তেওঁৰ শৰীৰৰ অংগসমূহতো প্ৰতিক্ৰিয়া আৰম্ভ হয়।

কোনোবাই আমাক বহুত ভাল পাবলৈ আৰম্ভ কৰে আৰু আমি কোনোবা এজনৰ পৰা অতি সোনকালে মুক্তি পাব বিচাৰো, এই সকলোবোৰ আমাৰ শৰীৰৰ পৰা ওলাই অহা নেতিবাচক আৰু ধনাত্মক শক্তিৰ প্ৰবাহৰ বাবেই হয়। সিদ্ধান্তটো হʼল আমাৰ চিন্তাধাৰাই আমাৰ চৌপাশৰ পৰিৱেশ সৃষ্টি কৰে। নেতিবাচক চিন্তাধাৰাৰ বাবে আজিৰ মানুহ নিম্নগামী হৈছে আৰু পৃথিৱীৰ পৰিবেশ প্ৰদুষিত হৈ পৰিছে। আজিৰ মানুহে কিবা এটা ভাবে, কিবা এটা কয়, তাতকৈ বেলেগ কিবা এটা কৰে। সত্যযুগত প্ৰকৃতি সতোপ্ৰধান আৰু মানুহৰ দাসী আছিল আৰু আজি মানুহ নিজেই প্ৰকৃতিৰ দাসী হৈ পৰিছে কাৰণ সত্যযুগত আমাৰ চিন্তাধাৰা সম্পূৰ্ণ ইতিবাচক আছিল আৰু আজি ই সম্পূৰ্ণ নেতিবাচক হৈ পৰিছে। নেতিবাচক চিন্তাৰ মূল হʼল আনৰ দোষবোৰ দেখা আৰু চিন্তা কৰা। পৰচিন্তন আৰু পৰদৰ্শন কৰা ব্যক্তি পৰৱশ হৈ নিজেই নিজক ধ্বংসৰ পিনে গতি কৰায়। চিন্তৰ দ্বাৰা দৃষ্টি আৰু বৃত্তি গঢ় লৈ উঠে। নেতিবাচক চিন্তাই হৈছে দুখ আৰু অশান্তিৰ প্ৰথম কাৰণ। এজন ব্যক্তি সদায় বহুদেৰি লৈকে কম্পিউটাৰত কাম কৰি থাকে। পিছত গম পোৱা গʼল যে তেওঁ কম্পিউটাৰত একো কাম নকৰে, বৰঞ্চ গেম খেলি থাকে। তেওঁৰ গুৰুত্বপূৰ্ণ কামবোৰো এৰি খেলত

(দহ পৃষ্ঠাত চাওক)

# জীনা

**হিমাদ্ৰী বৰকটকী, নগাঁও**



ৰাতিপুৱাই মোবাইল ফোনটো বাজি উঠিল। তাই উচপ খায় উঠিল। কাৰোবাৰ কিবা হʼল নেকি ? তাই একেচাতে বিছনাৰ পৰা উঠিলে। হাতত মোবাইলটো লৈ চাই দেখে মাকৰ ফোন। তাই ফোন কলটো লগে লগে ধৰিলে। মাকে সিফালৰ পৰা কৈছে দেউতাৰৰ গা বেয়া। তই সোনকালে আহ। তাই লৰালৰিকৈ মুখ হাত ধুই ৰেডী হʼল ঘৰলৈ যাবলৈ।

জীনা তাইৰ নাম। তাইৰ ঘৰ নলবাৰীত। তাই গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগত M.A পঢ়ি আছে। তাই বিশ্ববিদ্যালয়ৰ hostel অতে থাকে। তাইৰ ঘৰখনৰ অৱস্থা বৰ ভাল নহয়। তাই পঢ়াত ভাল। সেইকাৰণে দেউতাকে বহুত কষ্ট কৰি খেতি বাতি কৰি পঢ়ুৱাইছে তাইক। মাকেও গাঁৱত সা- সকাম হʼলে মানুহৰ ঘৰত কাম কৰি দুই এপইচা পায়। তেনেকৈয়ে তাইৰ পঢ়াৰ খৰছটো উলিয়াইছে মাক বাপেকহালে।

কেইঘণ্টামানৰ ভিতৰতে জিনা গৈ ঘৰ পালেগৈ। তাই গৈ দেখিছে দেউতাকে ঘন ঘনকৈ উশাহ লৈ আছে। তাই কি কৰিব কলৈ নিব একো উৱাদি পোৱা নাই। তাই লৰালৰিকৈ এম্বুলেন্স এখন মাতি দেউতাকক hospital এখনলৈ লৈ গʼল। তাত ততাতৈয়াকৈ চিকিৎসা আৰম্ভ কৰিলে। দুই তিনি দিনৰ পিছত দেউতাক সুস্থ হৈ উঠিল। দুদিন মান hospital অত থকাৰ পিছত ডক্টৰে ঘৰলৈ যাবলৈ দিলে। তাই সেইকেইদিন দেউতাকৰ লগত ছাঁটোৰ দৰে লাগি থাকিল।

দুমাহ মানৰ পিছত তাইৰ final পৰীক্ষা। তাই hos-tel অলৈ গʼল। উপায়টো নাই। তাই হʼল ঘৰৰ একমাত্ৰ সন্তান। চব পিনে তাই চাব লাগে। তাইৰ পৰীক্ষা ভালে ভালে হৈ গʼল। অলপ দিনৰ পিছত result দিলে। তাই first class first হৈছে English অত। ঘৰত মাক দেউতাকৰ আনন্দৰ ঠাই নাই। সকলোৰে খবৰ লবলৈ আহিছে। মিঠাই লৈ আহিছে। ইমান ভাল result সেই অঞ্চলত এতিয়ালৈকে কোনেও কৰা নাই। তাইক তাই পঢ়া বিদ্যালয়, কলেজ, ক্লাবত সকলোৱে সম্বৰ্ধনা জনাইছে। তাইক লৈ আজি মাক দেউতাক সঁচাই গৌৰৱান্বিত। অলপ দিনৰ ভিতৰতে তাই কলেজ এখনত চাকৰি পালে। তাই মনতে ভাবিছে অন্ততঃ মাক দেউতাক জীয়াই থকা দিন কিটা কষ্টত থাকিব নালাগে।

মাক দেউতাকৰ এষাৰ কথা এতিয়াও মনত আছে তাইৰ (জীনাৰ) জন্মৰ পিছত ওচৰ চুবুৰীয়াই কৈছিল - মুহিধৰ তোৰ ছোৱালীহে হʼল। লʼৰা পোনা এটাৰ মুখ নেদেখিলি। কিন্তু আজি সেই ওচৰ চুবুৰীয়াৰ লʼৰা বোৰ হʼল মস্ত মদাপী। মাক দেউতাকৰ সুখ নাই।

গতিকে আমি সমাজখনে কন্যা সন্তানক কেতিয়াও অবগ্যা কৰিব নালাগে। আজি কালি কন্যা সন্তানেহে মাক দেউতাকক বেছিকৈ চোৱা চিতা কৰে। এজন পুত্ৰতকৈ কম গুনে নহয় এগৰাকী কন্যা সন্তান। কবলৈ বেয়া শুনিলেওঁ। বৰঞ্চ কন্যা সন্তান জন্ম হʼলে আমি আনন্দহে কৰিব লাগে। গতিকে নাৰীক সন্মান কৰাটো আমাৰ প্ৰধান কাম্য।

# তুমিয়েই মোৰ বাবে এটি কবিতা

**মৃগাংক বৰুৱা, গোলাঘাট**



ওৰেটো জীৱনলৈ আপোন ঘৰ এৰি
মোক আপোন কৰি গুছি অহা প্ৰিয় মানুহজনীক
জন্মদিনত কবিতা এটি লিখি দিম
আৰু সেই কবিতাকে
মন্দিৰ-মছজিদ-গীৰ্জা বুলি ভাবি
ঈশ্বৰক কম মোৰ প্ৰিয়তমাক
সদায়ে আৰু সদায়ে
ভালে ৰাখিবা, দিবা শতায়ু
আমাৰ দুয়োৰে আয়ুস ভগাই লৈ হʼলেও
কৰিবা দীৰ্ঘায়ু...
এই বিশেষ দিনটোত
এটি বিশেষ কবিতা আৰু লিখা নহʼল
ই বয়সৰ দোষ, নে সময়ৰ
নে নʼকইনা হৈ অহাৰ দিনটোক
পাহৰণিৰ গৰ্ভলৈ ঠেলি দিয়াৰ দোষ??
আজি মৌন ওঁঠত শব্দৰ কোলাহল
আপোনত্বৰ ভৱত
নিঃশব্দ হোৱা শব্দই
এক সাঁকো গঢ়িছে
জীৱন জীয়াৰ মাদকতাৰে
পিছে সেই শব্দৰ কোলাহল
একেবাৰে নিতাল নিচুপ
নলয় কবিতাৰ ৰূপ
কিয়?
তুমিয়েই মোৰ বাবে
এটি কবিতা ঐ
আকৌনো সুন্দৰ কবিতা এটি
লিখোঁ কেনেকৈ...?


জনতাৰ চৰকাৰ
my GOV মেরী সরকার
GOVERNMENT OF ASSAM
অসম চৰকাৰ
অসম চৰকাৰৰ দায়বদ্ধতা
আৰ্তজনৰ আৰ্থিক নিৰাপত্তা
১০ তাৰিখ
পেঞ্চন আৰু অৰুণোদয়ৰ দিন
প্ৰতিমাহৰ ১০ তাৰিখে
হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
মুঠ হিতাধিকাৰী - ৩৯,২৮,৪৭৩গৰাকী
প্ৰতিমাহে ধন আদায় - ২৮৫.৯৫ কোটি টকা
অৰুণোদয় আঁচনিৰ প্ৰতিগৰাকী হিতাধিকাৰীলৈ অক্টোবৰ, ২০২২ৰ পৰা
বিদ্যুৎ মাচুলৰ সাহায্য হিচাপে প্ৰতিমাহে অতিৰিক্ত ২৫০ টকা
অক্টোবৰ, ২০২২ৰ পৰা অৰুণোদয় হিতাধিকাৰীয়ে সৰ্বমুঠ লাভ কৰিব
১,২৫০ টকা
আঁচনিসমূহ
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
দীনদয়াল দিব্যাংগজন সাহায্য
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি ৱাটছএপ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
JANASANYOG- 2877/22

১৯ কাতি ১৪২৭ চন Rongili Barta, Date of Publication--6 November, 2022

# শিশু আৰু সংগীত

জ্যোতিস্মিতা গোস্বামী শৰ্মা



শিশুৰ মাত কথা, হাঁহি কান্দোনে এখন ঘৰ প্ৰাণময় কৰি তোলে। কথাতে কয় “ল’ৰাই হাহিলে হাঁহিবা, ল’ৰাই কান্দিলে কান্দিবা”। শিশুৰ বাবে সংগীত এক আকৰ্ষণীয় বিষয়। সকলো শিশুৰে অজ্ঞাতে সংগীতৰ প্ৰতি মোহ থাকে।

শিশু ভূমিষ্ঠ হৈ “ওঁৱা” বুলি এক অস্ফুট প্ৰতি-ধ্বনি তোলে। “ওঁৱা”ৰ লগত ‘ম’বৰ্ণ সংযোগ কৰিলে “ঔম”ধ্বনি সৃষ্টি হয়। সংগীতে শিশুৰ সহজ সৰল মনক আৰু পবিত্ৰ কৰি তোলে। মাতৃৰ কলাতেই শিশু এ নিচুকণি গীতৰ মাধ্যমেৰে সংগীতৰ তৃপ্তি লাভ কৰে। নিচুকণি গীতৰ মূল বৈশিষ্ট্য হ’ল কল্পনা প্ৰবন শিশু সকলক এখন কাল্পনিক পৃথিৱীৰ লগত চিনাকী কৰোৱা। প্ৰচলিত নিচুকণি গীত সমূহৰ ভিতৰত ‘অ ফুল অ ফুল ফুল কিয়’, “শিয়ালি এ নাহিবি ৰাতি”, “আমাৰে মইনা শুব এ’’আদি।

শিশু গীত সমূহে সংগীত জগতৰ স্বনামধন্য সংগীত শিল্পী সকলৰ হাতত প্ৰাণ পাই উঠিছে। গীত সমূহৰ ভিতৰত খগেন মহন্ত দেৱৰ “বাঁহৰ মুঢ়া”, পাৰ্বতী প্ৰসাদ বৰুৱা দেৱৰ ‘অ’চিত পখিলি”, ৰুদ্ৰ বৰুৱা দেৱৰ “ অ তুল তুল অ বুলবুল”, আদি অন্যতম গীত। এই গীত বোৰে সহজ সৰল শিশুৰ মনত এক অনাবিল আনন্দ প্ৰদান কৰে।

মনো বৈজ্ঞানিক সকলৰ মতে সংগীতে শিশুৰ শাৰীৰিক, মানসিক তথা আধ্যাত্মিক বিকাশত সহায় কৰে। বিশ্বৰ উন্নত দেশ ৰুছ, আমেৰিকা আদিত শিক্ষাৰ আঁচনিত শিশু সকলৰ বাবে সংগীত কলা এটি বিশেষ বিষয়। “ফিনলেণ্ড”ৰ শিক্ষা ব্যৱস্থাত সংগীত অনিবাৰ্য শিক্ষনীয় বিষয়। পশ্চিমীয়া দেশ সমূহত শিশু সকলৰ বাবে সংগীত, বাদ্য, আৰু নৃত্যক প্ৰাধান্য দিয়া দেখা যায়।

শিশু কাল সকলো বিদ্যা শিক্ষাৰ মূল সময়। ল’ৰালি কালত আহৰণৰ ক্ষমতা প্ৰখৰ হৈ থাকে। শিশু আৰু কিশোৰৰ স্মৃতি শক্তি আৰু মনোযোগ বঢ়াবলৈ সংগীত নিতান্ত প্ৰয়োজনীয় বিষয়।

# প্লাষ্টিক আৰু আমি

মেলামাইন প্লাষ্টিকৰ প্ৰলেপ দি তৈয়াৰ কৰা হয়। মজিয়াৰ টাইলছ প্ৰস্তুত কৰাতো মেলামাইন ব্যৱহাৰ কৰা হয়। টেফ্ল’ন নামৰ প্লাষ্টিক বিধ ৰন্ধন সৰঞ্জামত “লাগি নধৰা” প্ৰলেপ (non-stick coating) দিয়াৰ বাবে ব্যৱহাৰ কৰা হয়।

পৃথিৱীৰ প্ৰথম সংশ্লেষিত প্লাষ্টিক হৈছে বেকেলাইট। বেকেলাইট ১৯০৭ চনত নিউৰ্ইৰ্কৰ লিও বেকেলেণ্ডৰ দ্বাৰা আৱিষ্কৃত হৈছিল। তেখেতেই ইয়াৰ নাম প্লাষ্টিক দিছিল। ন’বেল বঁটা বিজয়ী বিজ্ঞানী হাৰমান ষ্টডিঞ্জাৰক বহুযোগী ৰসায়নৰ পিতৃ বুলি কোৱা হয়। বিজ্ঞানী হাৰমান ফ্ৰাঙ্কিছ মাৰ্কক বহুযোগী পদাৰ্থবিদ্যাৰ পিতৃ বুলি কোৱা হয়।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা প্লাষ্টিকৰ সফলতা আৰু বহুল ব্যৱহাৰৰ বাবে পৰিবেশৰ প্ৰতি ভাবুকি আহি পৰিছে। সেয়ে বিংশ শতিকাৰ শেষৰফালে প্লাষ্টিকৰ 4R নীতি ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই নীতি হৈছে হ্ৰাস কৰা (Reduce), পুনৰ্ব্যৱহাৰ (Reuse), পুনৰাবৰ্তন কৰা (Recycle), আৰু পুনৰুদ্ধাৰ কৰা (Recover)। প্লাষ্টিক পচিবলৈ বহু বছৰৰ প্ৰয়োজন। সেয়ে ই পৰিৱেশ হিতৈষী নহয়। ই পৰিৱেশ প্ৰদূষণ কৰে। প্লাষ্টিকৰ দহনে বায়ুমণ্ডললৈ বহুতো বিষাক্ত ধোঁৱা এৰি দিয়ে। সদৌ শেষত যিমান সম্ভৱ আমি প্লাষ্টিকৰ ব্যৱহাৰ এৰাই চলিবলৈ চেষ্টা কৰিব লাগে।

# A legend is a legend And legend never dies

দেৱীকা বৰপূজাৰী, মুম্বাই

উঃ কি যে দুখ পালো ; নিপন গোস্বামীয়ে বিদায় লোৱা শোক কমাই নাই, এতিয়া আকৌ এই খবৰ! অসমৰ প্ৰবীণ শিল্পী, ভাস্কৰ্য্যবিদ নীলপৱন বৰুৱা আৰু নাই। অসমৰ পৰা দুজন সুযোগ্য সন্তানে একলগেই এই ধৰাৰ পৰা মেলানি মাগিলে!

নীলপৱন বৰুৱা মোৰ বৰদেউতা, ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ বৰপুত্ৰ ; মোতকৈ বহুত ডাঙৰ যদিও নিলদাক মই বৰ ওচৰৰ পৰা কেইবাবছৰো পাইছিলো। আমি তেতিয়া গুৱাহাটীৰ ৰিহাবাৰী অঞ্চলত ভাড়া ঘৰত আছিলো কিছু বছৰ। সেই সময়ত উজনিৰ আপোন মানুহ গুৱাহাটীত তেনেকৈ নাছিলেই; এনেয়ো আমাৰ ঘৰতে থাকি কটন কলেজ, সন্দিকৈ কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ অহা বৰদেউতাৰ বা দেউতাৰ মোমায়েকৰ ল’ৰা ছোৱালী আছিলহি। তাৰো আগৰ এই কথা। টীয়কৰ বৰদেউতা (বিনন্দ চন্দ্ৰ বৰুৱা) ই দেউতালৈ পোষ্টকাৰ্ড এটা লিখিলে, ‘শিৰ, ই নীলে



পঢ়িবলৈ মন নকৰা হৈছে। তই কিবা এটা কৰ’।

দেউতাই ককায়েকৰ কথা পেলাব নে ? একে কোবেই গৈ টীয়ক পালেগৈ আৰু নীলদাক লৈ গুৱাহাটী পালেহি। নীলদাক দেউতাই বুজাই বঢ়াই কামৰূপ একাডেমিত নৱম শ্ৰেণীত নাম লগাই দিলে। নীলদাৰ পঢ়িবলৈ মন নাযায়, ঘৰত গধূলি পঢ়িবলৈ বহি মনে মনে কাগজত কিবা আঁকি থাকে। মই তেতিয়া হয়তো চেণ্ট মেৰিজ স্কুলৰ কে জি ত পঢ়িছিলো ; মোৰ পৰা নীলদাই পেঞ্চিল, ৰবৰ খুজি খুজি লয়, মোৰ বৰ খং উঠাত এদিন মাক কৈ দিলো-‘ নীলদাই নপঢ়ে, মোৰ পৰা পেঞ্চিল লৈ বহীত কিবা আঁকি হে থাকে ’। মায়ে সুধিলত নীলদাই ‘কোনে কৈছে’ বুলিলত মায়ে মই কোৱা বুলি কলে। নীলদাই একেবাৰে চোঁ মৰা দি আহি মোৰ গালত এক চৰ লগাই দিলে ‘খুৰীতিক মোৰ কথা কি কি কৈছ ’ বুলি। মই চিঞৰি চিঞৰি কান্দিলো আৰু মায়ে যে নীলদাক একো খং নকৰিলে, সেই ভাবি আৰু বেজাৰ লাগিছিল। এইখিনিতে এটা কথা কব খুজিছো - আজিকালি কাৰোবাৰ সাধ্য আছে নে খুৰাক বা বৰদেউতা বা মামা মাহীৰ ল’ৰা ছোৱালীক চৰ নালাগে টানকৈ শাসন কৰিবলৈ? আজিৰ মাক বাপেকেই বেয়া পাই যাব। হয় নে নহয় বাৰু?

নীলদা rebel নাছিল কিন্তু নিজে যিটো কৰিম বুলি ভাবিছিল, সেইটোহে কৰিব খুজিছিল।

দুবাৰ মেট্ৰিক দি নীলদাই পাছ কৰিলে কিন্তু

(দহ পৃষ্ঠাত চাওক)

# সাধাৰণ হৈয়ো অসাধাৰণ

বিশিষ্ট ব্যক্তি আছিল অফুৰন্ত জ্ঞানৰ ভঁৰাল। জ্ঞান পিপাসু মনৰ অধিকাৰী এই গৰাকী বুঢ়া সত্ৰীয়াই সভা-সমিতিয়ে লগ পালেও ভীৰৰ মাজৰ পৰাই আন্তৰিকতাৰে সকলোৰে খবৰ সোধে। সকলো সমান। উচ্চ-নীচ, ধনী-দুখীয়া বুলি কোনো কথাই মনলৈ নানে।

বিভিন্ন ঠাইত সত্ৰ স্থাপনতো তেখেতৰ অৱদান কম নহয়। যি সময়ত সত্ৰৰ অস্তিত্ব বিপন্ন হোৱা বুলি চৌদিশে ব্যাপক চৰ্চা হৈছিল, তেনে সময়তে ৰাজ্যখনৰ বিভন্ন ঠাইত শাখা সৃষ্টিত গুৰুত্ব প্ৰদান কৰিছিল। সেয়া প্ৰতিষ্ঠা কৰাৰ পিছত তেখেতে এই সন্দৰ্ভত কাকো নিৰাশ কৰা নাছিল। অসমৰ বিভিন্ন ঠাইৰ জনগোষ্ঠীয় লোকসকলৰ মাজত মহাপুৰুষীয়া সংস্কৃতিৰ বিকাশ ঘটাই তেওঁলোকক একশৰণ নামধৰ্মৰ প্ৰতি আকৃষ্ট কৰিছিল।

বিপদ-আপদৰ সময়ত সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়োৱা বুঢ়াসত্ৰীয়া গৰাকীয়ে আনৰ দুখত সদায় সমভাগী হৈছিল। বিভিন্ন সময়ত সংঘটিত ঘটনাৰ পাছত সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিতি চম্ভালিবলৈ নিজৰ পৰিসৰৰ মাজত থাকিয়েই আগুৱাই গৈছিল। বিপদত পৰা লোকক খাদ্যৰ লগতে ঔষধ আদিৰো যোগান ধৰিছিল। কোনোবা অসহায় লোকক অলপ সহায় কৰিব পাৰিলে বা সুযোগ পালে তেখেত নিজকে ধন্য মানিছিল। মনটো সুখেৰে ভৰি পৰিছিল। আনৰ সুখত সুখী আৰু দুখত সমানেই দুখী আছিল। ইয়াৰ কাৰণ হ’ল- তেখেত কাৰো প্ৰতি কপটতা নকৰাটো। শিশুৰ দৰেই পবিত্ৰ মন এটি থকা বাবে আনৰ দুখত মনটোৰে কান্দিছিল।

যিকোনো সমস্যাৰ সৃষ্টি হ’লেই প্ৰায়ভাগ লোকেই তেওঁৰ ওচৰলৈ আহিছিল সমাধান বিচাৰি। কাৰণ সকলোৰে বশিষ্ঠ দেৱশৰ্মাৰ ওপৰত আছিল অগাধ বিশ্বাস। তেখেতে কোৱা কথাৰ অমান্য কৰাৰ সাহস কোনোৰে কৰা নাছিল। দৰাচলতে তেখেতৰ প্ৰতি থকা অগাধ ভক্তি আৰু বিশ্বাসৰ বাবেই সকলোৰে প্ৰতিটো কথাই মানি লৈছিল- বিনাদ্বিধাই।

বশিষ্ঠ দেৱশৰ্মাই অসমবাসীৰ বাবে যিখিনি কৰিলে সেয়া নিঃস্বাৰ্থ সেৱা। এনে সেৱাৰ বাবেই তেওঁক সকলোৱে যাচিছে শ্ৰদ্ধাঞ্জলি। জীৱনত বহুতো বঁটা লাভ কৰিলে। পালে বহুতো সন্মান। সকলো ক্ষেত্ৰতে সাফল্য অৰ্জন কৰাৰ পিছতো নাই কোনো অহংকাৰ। তেওঁৰ দৃষ্টিভংগীত ‘মই’ৰ পৰিৱৰ্তে ‘আমি’ ই স্থান পাইছিল। সেইবাবে সকলো বিচাৰত নিৰপেক্ষতা বজাই ৰাখিবলৈ সক্ষম হৈছে। সমাজৰ সেইসকল ব্যক্তি পূজনীয় হয় যিসকলে ব্যক্তি স্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থক আগস্থান দিয়ে। বুঢ়াসত্ৰীয়াও তেনে এগৰাকী মনোভাৱ সম্পন্ন ব্যক্তি। তেওঁ মানুহ চিনি পাইছিল। কোনোবাই তেখেতৰ বিৰুদ্ধে কেতিয়াবা কোনো বিষয়ক লৈ বিমুখ মন্তব্য কৰিলেও সেইবোৰক লৈ ক্ষোভ প্ৰকাশ কৰা নাছিল। বৰং বিষয়টো সুন্দৰভাৱে বিশ্লেষণ কৰি বুজাই দিবলৈহে সদায় আছিল আগ্ৰহী। আত্ম সমালোচনাৰে সকলোকে আগবাঢ়ি যাবলৈ উপদেশ দিছিল। কাৰণ যেতিয়ালৈকে মানুহে আত্মবিশ্বাসেৰে আগুৱাই নাযায় তেতিয়ালৈকে ব্যক্তিগত, সামাজিক আৰু ৰাজহুৱা ক্ষেত্ৰত সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। সকলোৰে মংগল কামনা কৰা এইগৰাকী বিশিষ্ট ব্যক্তিৰ মৃত্যুৰ লগে লগে সমাজৰ অপূৰণীয় ক্ষতি সাধন হ’ল। অতি সহজেই তেখেতৰ ৰিক্তস্থান পূৰণ কৰাটো সম্ভৱ নহ’ব। তেখেতৰ আদৰ্শৰে নৱ-প্ৰজন্ম আগুৱাই যাওক। ভৱিষ্যৎ প্ৰজন্মই বশিষ্ঠ দেৱশৰ্মাৰ আদৰ্শ গ্ৰহণ কৰক। তেতিয়াহে তেখেতলৈ জনোৱা হ’ব প্ৰকৃত সন্মান।

# মহানায়ক নিপন গোস্বামীৰ মহা প্ৰয়ানত একাজলি শ্ৰদ্ধাঞ্জলি

**কবিতা শৰ্মা, দিল্লী**





ডিচেম্বৰ - জানুৱাৰী মাহৰ দিন আছিল সেইবোৰ। পঢ়া শুনাৰ তাগিদাতো গৰম কাপোৰৰ উমৰ আমেজ এৰি বিছনা এৰিবলৈ মন নোযোৱা দিন। ৰাতি নৌপুৱাওঁতেই দুৰৈত পিকনিক পাৰ্টিৰ বাচবোৰত বাজি থকা মাইকৰ পৰা ভাহি আহে তেতিয়াৰ জনপ্ৰিয় গীতৰ কলি ... মইনা কোন বিধাতাই সাজিলে তোমাৰ পদুম চকুটি ... বা কি নাম দি মাতিম, মাতিম তোমাক ... আমাৰ টোপনি ভাঙে ... চকুৰ আগত ভাহি উঠে সুদৰ্শন নায়ক এজনৰ অভিনয়ৰ মনোমোহা দৃশ্য। তেওঁ আন কোনো নহয় ... জনপ্ৰিয়তাৰ শীৰ্ষত থকা আমাৰ সকলোৰে মৰমৰ অভিনেতা সদ্য প্ৰয়াত নিপন গোস্বামী ....

নিপন গোস্বামীৰ বিষয়ে লিখিবলৈ গৈ বাৰে বাৰে থমকি ৰৈছো। কি কম, কিয়েই বা লিখিম ... নামেই যাৰ পৰিচয় ... অভিনয় কলা যিজনৰ শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বৈছিল। তেজপুৰৰ কলিবাৰীৰ এটি সংস্কৃতিবান পৰিয়ালত জন্মসূত্ৰেই তেওঁ সৰুৰে পৰা ঘৰখনতে এক সাংস্কৃতিক পৰিবেশ লাভ কৰিছিল। পিতৃ চন্দ্ৰধৰ গোস্বামী আছিল অভিনেতা আৰু মাতৃ নিৰুপমা গোস্বামী এগৰাকী সংগীত শিল্পী। স্কুলত পঢ়ি থাকোতেই মাত্ৰ আঠ বছৰ বয়সতে লাচিত বৰফুকন নামৰ নাটকত অভিনয় কৰিছিল। স্কুলৰ নাট প্ৰতিযোগিতা বোৰতো অংশ গ্ৰহণ কৰিছিল। তেজপুৰৰ বিখ্যাত বাণ থিয়েটাৰত নটসূৰ্য্য ফনি শৰ্মা, কলা গুৰু বিষ্ণু ৰাভাৰ দৰে মহান শিল্পী সকলে কৰা অভিনয়ৰ যোগেদি তেওঁ অভিনয় কৰিবলৈ প্ৰেৰণা পাইছিল ।১৯৫৭ চনত পিয়লি ফুকন বোলছবিত তেওঁৰ প্ৰথম অভিনয়। তেজপুৰতে স্কুল কলেজৰ শিক্ষা সাং কৰি তেওঁ পুণে ফিল্ম ইনষ্টিটিউটত অভিনয়ৰ প্ৰশিক্ষণ লয়। অসমত তেওঁৱেই প্ৰথমজন পেছাদাৰী প্ৰশিক্ষিত অভিনেতা হিচাপে পৰিচিতি লাভ কৰিছিল।

পুণেত পঢ়ি থকা সময়তে তেওঁ পৰিচালক অমৰ পাঠকৰ সংগ্ৰাম নামৰ বোলছবিৰ নায়কৰ চৰিত্ৰত অভিনয় কৰিবলৈ আমন্ত্ৰণ পাইছিল।নায়ক হিচাপে সেইখনেই তেওঁৰ প্ৰথম ছবি দ্বিতীয় ছবি ড০ বেজবৰুৱা। দুয়োখন ছবিত কৰা তেওঁৰ সাবলীল অভিনয়ৰ লগতে নায়কোচিত সুদৰ্শন চেহেৰা আৰু ব্যক্তিত্বই তেওঁক ইমানেই জনপ্ৰিয় কৰি তুলিছিল যে তেওঁ আৰু কেতিয়াও পাছলৈ ঘূৰি চাবলগীয়া হোৱা নাই । ইখনৰ পাছত সিখনকৈ তেওঁ শতাধিক ছবিত অভিনয় কৰি গৈছিল। তেওঁ কেইবাখনো হিন্দী আৰু বঙালী ছবিতো অভিনয় কৰিছিল। ১৯৮১ চনৰ আজলী নবৌত অভিনয় কৰাৰ পাছৰে পৰা তেওঁ চৰিত্ৰাভিনয় কৰিবলৈ লৈছিল । অসাধাৰণ অভিব্যক্তি আৰু অভিনয় প্ৰতিভাৰ কাৰণে সকলোৰে চৰিত্ৰাভিনেতা হিচাপেও তেওঁক আদৰি লৈছিল। বোলছবিত অভিনয় কৰিলেও নাটক আৰু মঞ্চৰ প্ৰতিও তেওঁৰ সমানে আকৰ্ষণ আছিল। এমেছাৰ আৰু ভ্ৰাম্যমাণ থিয়েটাৰ দুয়ো ক্ষেত্ৰতে তেওঁ অভিনয়ৰ লগতে পৰিচালনাও কৰিছিল। কেইবাখনো টেলিফিল্মো তেওঁ পৰিচালনা কৰিছিল। পৰিচালক মুনীন বৰুৱাৰ সৈতে যৌথভাবে প্ৰতিমা নামৰ ছবিখন পৰিচালনা কৰিছিল। অসমৰ আগশাৰীৰ নাট্যগোষ্ঠী আৱাহনে ২০২১ ত ড০ ভবেন্দ্ৰনাথ শইকীয়া বঁটাৰে তেওঁক সমানিত কৰিছিল ।

এগৰাকী শিল্পী কেবল যাত্ৰ তেওঁৰ শিল্পক্ষেত্ৰ খনত পোৱা সফলতাৰ বাবেই জনপ্ৰিয় নহয়। তাৰ বাবে অন্যান্য সজ গুণৰো প্ৰয়োজন। সুন্দৰ অভিনয়ৰ লগতে নিপন গোস্বামী আছিল এজন সহজ সৰল সহৃদয় ব্যক্তি। শিল্পী হিচাপে অত্যন্ত শৃংখলাবদ্ধ, পেছাদাৰী আৰু মানুহ হিচাপে সকলোকে সম দৃষ্টিৰে চোৱা, সকলোৰে সৈতে সমব্যৱহাৰ তেওঁৰ স্বভাৱৰ বৈশিষ্ট্য আছিল। তেওঁৰ সান্নিধ্যলৈ অহা প্ৰতিজন ব্যক্তিৰ লগতে তেওঁ এক মধুৰ সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছিল। সাফল্যৰ উচ্চ শিখৰত থাকিলেও তেওঁৰ নিৰহংকাৰী আৰু অমায়িক ব্যক্তিত্বই সকলোকে মোহাচ্ছন্ন কৰি তুলিবলৈ সক্ষম হৈছিল। নব প্ৰজন্মৰ বাবেও তেওঁ আছিল এক অনুপ্ৰেৰণা। মহাৰথী বোলছবিত তেওঁৰ সৈতে অভিনয় কৰা নপ্ৰজন্মৰ এগৰাকী সহশিল্পীয়ে এবাৰ এটা শ্বটৰ বাবে কমলাৰ বাকলিৰে চকুপানী উলিয়াব চেষ্টা কৰি থকা দেখি তেওঁ কৈছিল " মা, তুমি ভাল অভিনয় কৰা। কিন্তু এয়া তুমি কি কৰি আছা? অভিনয় সদায় অন্তৰৰ পৰা হব লাগিব। এনে হব লাগিব যেন যি চৰিত্ৰত অভিনয় কৰিছা বাস্তৱ জীৱনত সেয়াই তোমাৰ চৰিত্ৰ।" তেওঁৰ দৰে সহজ সৰল গুণী অভিনেতা বিৰল।

সৌভাগ্যক্ৰমে তেওঁৰ দৰে এজন অভিনেতাৰ সান্নিধ্যলৈ অহাৰ সুযোগ মই পাইছিলোঁ। দেউতাৰ চাকৰি সংক্ৰান্তত তেতিয়া আমি ডিব্ৰুগড় চহৰত। সংগ্ৰাম বোলছবিৰ পৰিচালক অমৰ পাঠক আছিল দেউতাৰ জ্যেষ্ঠ বিষয়া। সেই সুবাদতে ইউনিতৰ প্ৰায় সকলো মানুহ আমাৰ ঘৰলৈ আহিছিল। ছবিখনৰ নায়ক নিপনদাক আমি তেনেকৈয়ে লগ পাইছিলো। এদিন স্কুলৰ পৰা আহি ঘৰ সোমাই হঠাতে দেখিলোঁ সুন্দৰ চেহেৰাৰ মানুহ এজন আমাৰ ড্ৰইংৰুমৰ কাষৰ ৰুমৰ বিছনা খনত গাৰু এটাত আউজি বহি আছে । মোক প্ৰথমবাৰৰ বাবে দেখিও অতি সহজভাবে তেওঁ কলে "চোৰাচোন ভন্তি, তোমাৰ মায়ে ইমান সোৱাদ লগাকৈ বিলাহীয়ে মাছে ৰান্ধি খুৱালে, মোৰ পেট একেবাৰে ফুলি গ'ল।" কৈ তেওঁ নিজেই ডাঙৰকৈ হাঁহিলে। প্ৰথমবাৰৰ বাবে হঠাতে তেওঁক দেখি মইও থতমত খালো। কম বয়স আৰু মোৰ লাজকুৰীয়া স্বভাৱৰ বাবেই হয়তো মই সিদিনা তেওঁক একোৱেই কব নোৱাৰিলো । তাৰ পাছতো তেওঁ কেইবাবাৰো আমাৰ ঘৰলৈ আহিছিল। বোলছবি খনৰ নায়িকা বিদ্যা ৰাওৰ সৈতে বহুত সময় ধৰি আমাৰ ড্ৰাইং ৰুমত বহি ছবিৰ বিষয়ে বা অন্যান্য বিষয়ে আলোচনা কৰিছিল। তেওঁলোকৰ নিৰংহকাৰী আৰু অমায়িক ব্যক্তিত্বই মোক ইমান আকৰ্ষিত কৰিছিল যে কথা নকলেও তেওঁলোকৰ ওচৰতে বহি থাকিছিলো। তাৰ পাছতো নিপনদাক বিভিন্ন অনুষ্ঠানত কেইবাবাৰো লগ পাইছিলোঁ। দুবছৰ আগতে তেওঁক শেষবাৰৰ বাবে ৰবীন্দ্ৰভৱনত হোৱা এখন সভাত লগ পাইছিলোঁ। সেই সভাত সিদিনা অসমৰ জ্যেষ্ঠা আৰু স্বনাম ধন্যা অভিনেত্ৰী বিদ্যা ৰাওক সম্বৰ্ধনা জনোৱাৰ আয়োজন কৰা হৈছিল। মানুহৰ উপস্থিতি সেৰেঙা। হল প্ৰায় খালী বুলিয়েই কব পাৰি। মই আৰু মোৰ স্বামীয়ে ভিআইপি বহা চিটৰ পাছৰ শাৰীত বহিলো। বিদ্যা ৰাও ইতিমধ্যে আমাৰ আগৰ শাৰীত বহিছে। অলপ সময় পাছতে নিপন গোস্বামী আহিল ক'লা চুট পৰিহিত নায়ক জনৰ সেই একেই আকৰ্ষণীয় চেহেৰা, একেই ব্যক্তিত্ব তেওঁ আহিয়েই বিদ্যা ৰাওৰ কাষৰ চিটত বহিলে। দুয়োৰে কথোপকথন আৰম্ভ হ'ল। অভব্য আচৰণ বুলি জানিও মই মোৰ কাণক সক্ৰিয় কৰিলোঁ। কিন্তু মোক আচৰিত কৰি নায়িকা গৰাকীয়ে নায়কক সুধিলে " আজি কিহেৰে ভাত খালা ?" তাৰ পাছত দুয়োৰে মাজত আমাৰ দৰেই শাক ভাত খোৱাৰ কথাই চলিল। মই অনুভৱ কৰিলো তেওঁলোকক আমি চেলিব্ৰিটিৰ দৰে দূৰৈৰ মানুহ বুলি ভাবিলেও তেওঁলোক আচলতে আমাৰ দৰেই সহজ সৰল সাধাৰণ মানুহৰে দৰেই ।

নিপন গোস্বামীৰ দৰে মহানায়কৰ মৃত্যু অসমৰ অভিনয় ক্ষেত্ৰখনৰ কাৰণে এক পূৰাব নোৱাৰা ক্ষতি। তেওঁ কি আছিল বা তেওঁৰ মৃত্যুত অসমৰ অভিনয় জগতখনৰ কি অপূৰণীয় ক্ষতি হ'ল সেয়া নতুনকৈ কবলগীয়া আৰু নাই। সেই কথা অসম বাসী ৰাইজে ভালদৰে জানে। মানুহৰ মৃত্যু এক স্বাভাবিক প্ৰক্ৰিয়া। জন্ম হোৱা জনৰ মৃত্যু এদিন নিশ্চিত। কিন্তু তেওঁৰ মৃত্যুৰ পাছতেই এটা কথা জানি মোৰ মন দুখেৰে ভৰি পৰিল, চকু সেমেকি উঠিল। তেওঁৰ মৃত্যুৰ তিনিদিন আগৰ কথা। আই চি ইউৰ বেডৰ পৰা মুখৰ পৰা অক্সিজেন মাস্ক গুচাই ডাক্তৰক সুধিছিল "মোৰ হস্পিতালৰ বিলটো কোনে দিব ? " ভাবিলেও আচৰিত লাগে যে আজিৰ যুগতো নিপন গোস্বামীৰ দৰে চুপাৰ ষ্টাৰ এজনে জীৱনৰ বিয়লি বেলা চিন্তা কৰিব লগীয়া হ'ল হস্পিতালৰ বিলৰ কথা? ওৰেটো জীৱন যিজন শিল্পীয়ে নিজৰ অভিনয়েৰে অসমৰ সাংস্কৃতিক জীৱন সমৃদ্ধ কৰিলে কিয় তেওঁ মৃত্যুৰ আগমুহূৰ্তলৈ অৰ্থৰ কথাকে ভাবি মানসিক অশান্তিত থাকিব লগীয়া হ'ল? কিয় অসমৰ সকলো ক্ষেত্ৰৰে শিল্পী সকলৰ এই দুৰ্দশা ? কিয় চৰকাৰে তেওঁলোকলৈ ব্যৱস্থা নকৰে কোনো ধৰণৰ সাহাৰ্য্যৰ ? এই ক্ষেত্ৰত অসমৰ ৰাইজৰো কিছু কৰণীয় আছে। অসমীয়া ভাষা সঙ্কটত বুলি আমি মুখেৰে কৈ থাকিলেই সমস্যাৰ সমাধান নহয়। বৰ্তমান অসমীয়া বোলছবিৰ মানদণ্ড যথেষ্ট উন্নত হোৱা স্বত্বেও অসমীয়া চিনেমা একোখন ৰিলিজ হোৱাৰ দুদিন পাছতে হলত মানুহ সেৰেঙা হৈ পৰে য'ত নেকি বলিউদৰ চিনেমা একোখনত মানুহৰ ভিৰ দেখিলে আচৰিত লাগে। এইবোৰ কথাত আমি অসমীয়া ৰাইজ যদি সচেতন নহওঁ তেতিয়াহলে কোন হব ?

এতিয়া ভাব হয় আমি বাৰু চেলিব্ৰিটি বুলিয়েই তেওঁলোকক দূৰলৈ ঠেলি দিওঁ নেকি ? তেওঁলোকৰ অলপমান সান্নিধ্য, দুখনমান চেলফি, এটা অটোগ্ৰাফেৰে আমি সন্তুষ্ট হৈ পৰো কিয় আমি কেতিয়াও চেষ্টা নকৰো তেওঁলোকৰ মনৰ খবৰ লবলৈ ? কিয় আমি পাহৰি যাওঁ যে আমাৰ মনোৰঞ্জন কৰা সেই শিল্পী সকলৰো ভোক আছে, পৰিয়াল আছে, পৰিয়ালৰ প্ৰতি দায়িত্ব আছে, অসুখ-বিসুখ আছে। চৰকাৰলৈ অনুৰোধ যাতে শিল্পী সকলৰ বাবে সাহাৰ্য্যৰ বাবে কিছু ব্যৱস্থা গ্ৰহণ কৰে । নিপন গোস্বামীৰ মৃত্যুৰ লগে লগে অসমীয়া বোলছবি জগতৰ এক বৰ্ণিল যুগৰ পৰিসমাপ্তি ঘটিল। কায়িক ভাবে তেওঁ আজি আমাৰ মাজত নাথাকিলেও তেওঁৰ কৰ্মৰাজি আৰু সজ গুণেৰে আমাৰ সকলোৰে হৃদয়ত সদায় অমৰ হৈ থাকিব । তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ । শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ মোৰ সমবেদনাজ্ঞাপন কৰিলোঁ । এই শোকৰ সময়ত ধৈৰ্য্য ধৰিবলৈ ভগবানে তেওঁলোকক শক্তি দিয়ে যেন।

# ইতিবাচক চিন্তাৰ কলা

ব্যস্ত হৈ থাকে। তেওঁৰ এই অভ্যাসৰ বাবে কেৱল তেওঁৰ পৰিয়ালৰ লোকসকল বিচলিত হোৱাই নহয়, তেওঁ নিজেও অতি দুখী হৈছে । তেওঁ বহুত চেষ্টা কৰিছিল যে গেম নেখেলো, কিন্তু এৰিব পৰা নাই । এদিন কম্পিউটাৰৰ পৰা সকলো গেম ডিলিট কৰি দিলে আৰু এতিয়া কেৱল প্ৰয়োজনীয় কামৰ বাবে কম্পিউটাৰ ব্যৱহাৰ কৰে। যদি কম্পিউটাৰটো অলাগতিয়াল প্ৰগ্ৰেমেৰে ভৰি থাকে তেন্তে সেয়া আমাৰ সময়হে নষ্ট কৰিব।কম্পিউটাৰৰ দৰে আমাৰ মনৰ অৱস্থাও একেধৰণৰ। যদি আমাৰ মনটোত অসাৰ বা নেতিবাচক চিন্তাৰে ভৰি থাকে, তেন্তে সেইবোৰ আমাৰ সফলতা আৰু প্ৰগতিত বাধা হৈ পৰিব। কম্পিউটাৰৰ নিয়মটো হ'ল আপুনি তাত যিখিনি দিব, সেইখিনি ওলাই আহিব। মানুহৰ মনৰো একে অৱস্থা। মনত যিদৰে চিন্তাৰ উত্থান ঘটিব, তেনেদৰে বাহ্যিক জগততো তেওঁৰ প্ৰতিক্ৰিয়া হ'ব। মানুহৰ স্বাস্থ্য, ব্যক্তিত্ব আৰু কৰ্মসমূহ সকলো তেওঁৰ চিন্তাধাৰাৰ দ্বাৰা নিৰ্ধাৰিত হয়, গতিকে সুস্বাস্থ্য, প্ৰভাৱশালী ব্যক্তিত্ব, সুখ, সমৃদ্ধি, দীৰ্ঘায়ু, সক্ৰিয় জীৱন আৰু জীৱনত সন্তুষ্টিৰ বাবে সদায় ইতিবাচক আৰু আশাবাদী চিন্তাৰে পৰিপূৰ্ণ হোৱাটো প্ৰয়োজনীয়। একাংশই এই কথাত প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে কম্পিউটাৰত অসংখ্য প্ৰগ্ৰেম দিব পাৰি। আপোনাৰ প্ৰয়োজন আৰু আগ্ৰহ অনুসৰি অনুষ্ঠানসমূহ বাছি লওক। এইটোও সঁচা, কিন্তু যেতিয়া আমাৰ সন্মুখত বহু ধৰণৰ খাদ্য সামগ্ৰী, ফল-মূল, বাদাম আদি ৰখা হয় আৰু তাত বাচনিৰ কথা আহিলে আমি কম সোৱাদযুক্ত অথচ পুষ্টিকৰ বস্তুবোৰ বাহিৰে প্ৰথমে সেই অধিক সোৱাদযুক্ত বস্তুবোৰ গ্ৰহণ কৰাৰ সাধাৰণ মানসিকতাত ৰাখো। ডায়েবেটিছ ৰোগী এজনেও এনে সংস্পৰ্শলৈ আহিলে সামান্য পৰিমাণৰ মিঠাই খায়, যাৰ ফলত তেওঁৰ স্বাস্থ্যৰ ক্ষতি হয়। এইদৰে বাছনি কৰাৰ সময়ত মন পিছলি যোৱাৰ ভয় থাকে। ক্ষতিকাৰক সকলক নিৰ্মূল কৰাৰ স্বাৰ্থত বাচনিৰ কোনো সম্ভাৱনা থাকিব নালাগে । কম্পিউটাৰ এটাৰ; এটা নিৰ্দিষ্ট ক্ষমতা থাকে। যদি আপুনি ইয়াত সকলো উপযোগী প্ৰগ্ৰেমেৰে ভৰাই দিয়ে, তেন্তে অসাৰৰ বাবে কোনো ঠাই নাথাকিব। একেদৰে আমি যদি কেৱল ইতিবাচক উপযোগী চিন্তাৰে মনটো ভৰাই পেলাওঁ, তেতিয়া নেতিবাচক আৰু অসাৰ চিন্তাৰ বাবে কোনো স্থান নাথাকিব আৰু আমাৰ সমস্যাৰ সমাধান হ'ব। ক'বলৈ সহজ, নিশ্চিতভাৱে কৰাটো অলপ কঠিন কিন্তু অসম্ভৱ নহয়। অলপ শান্ত হৈ, স্থিৰ হৈ চিন্তাৰ প্ৰবাহ চাব লাগিব, এই চিন্তাবোৰ উপযোগী হয় নে অউপযোগী হয়, তাৰ ওপৰত চিন্তা কৰিব লাগিব। তাৰ পিছত অসাৰ চিন্তাবোৰৰ পৰা মুক্তি পাই উপযোগী চিন্তাবোৰক শক্তিশালী কৰিব লাগিব। উপযোগী ধাৰণাবোৰ পিছলি যাব নালাগে আৰু অসাৰ ধাৰণাবোৰ থাকিব নালাগে। কোনো অসাৰ বা নেতিবাচক চিন্তাৰ পৰা হাত সাৰিবলৈ আন এটা উপায় হ'ল তাক ইতিবাচক চিন্তালৈ ৰূপান্তৰিত কৰা। যদি কোনো ব্যক্তি, বস্তু বা পৰিস্থিতিৰ প্ৰতি ঘৃণা বা শত্ৰুতা অনুভৱ হয়, তেন্তে তাৰ ঠাইত প্ৰেম, কৰুণা আৰু বন্ধুত্বৰ দৰে অনুভূতিৰ সৃষ্টি কৰা। তেতিয়া ইতিবাচক চিন্তাৰ সন্মুখত স্বয়ংক্ৰিয়ভাৱে নেতিবাচক চিন্তা শেষ হৈ যাব।

ইতিবাচক চিন্তাধাৰা মানে গুণী হোৱা, অৰ্থাৎ নিজৰ মাজত গুণ গ্ৰহণ কৰা, সকলোৰে প্ৰতি শুভকামনা, শুভভাবনা ৰখা। সংকল্পৰ দ্বাৰাও কাকো আঘাত নকৰা, প্ৰতিটো পৰিস্থিতিতে স্থিৰ হৈ থকা আৰু শুভচিন্তন কৰা। ইতিবাচক চিন্তাধাৰাৰ ব্যক্তি সদায় নম্ৰ আৰু সহজ-সৰল স্বভাৱৰ হয়। চিন্তা, কথা আৰু কৰ্মত তেওঁ সমান, তেওঁ সদায় নিজৰ ওপৰত সন্তুষ্ট হয় আৰু তেওঁৰ ওপৰতো সকলোৱে সন্তুষ্ট হৈ থাকে আৰু তেওঁ দক্ষ হৈ পৰে আৰু এখন সুস্থ সমাজ গঢ়াত সহায় কৰে। তেওঁ অপকাৰি লোকৰ ওপৰতো উপকাৰ কৰে। জীৱনত মহান লক্ষ্যত উপনীত হ'বলৈ হ'লে উচ্চ পৰ্যায়ৰ চিন্তাধাৰা অতি প্ৰয়োজনীয়। এই চিন্তাধাৰাই কঠিন পৰিস্থিতিত আমাৰ মাজত নতুন শক্তিৰ সঞ্চাৰ কৰে, ই আমাৰ পথ প্ৰদৰ্শকক হৈ পৰে। ইয়াৰ দ্বাৰা আমি সঠিক সময়ত সঠিক সিদ্ধান্ত ল'বলৈ সক্ষম হৈ পৰো, অপ্ৰয়োজনীয় চিন্তা আৰু মানসিক চাপৰ পৰা আমি ৰক্ষা পৰো ।

নেতিবাচক চিন্তাধাৰাই আমাৰ মাজত আসুৰিকতাৰ আচাৰ-ব্যৱহাৰৰ জন্ম দিয়ে, ইতিবাচক চিন্তাধাৰাই আমাৰ মাজত দেৱত্বৰ গুণ আৰু মূল্যবোধ জাগ্ৰত কৰে। কিয়নো আমি এতিয়াৰে পৰা নেতিবাচক চিন্তাধাৰাৰ পৰা বিদায় লৈ এটা দৃঢ় সংকল্প লওঁ যে- আমি বেয়া নেদেখো, বেয়া নশুনো, বেয়া নকওঁ, বেয়া নাভাবো, ইয়াৰ বাবে আমাৰ সন্মুখত যিনেকুৱাই পৰিস্থিতি নাহক কিয়, যেনেকুৱাই ব্যক্তি নাথাকক কিয়, আমি নেতিবাচক নহওঁ, ইয়াৰ বাবে আমি যিয়েই ত্যাগ কৰিব লাগিব আমি কৰিম, আমাৰ ভিতৰত ইতিবাচক চিন্তাৰ সংকল্প পূৰণ কৰিমে, এই দৃঢ় সংকল্পৰে আমি নিজৰ ভিতৰত শুভকামনা-শুভভাবনা জাগ্ৰত কৰোঁ। পাহৰি যাওঁ ঈৰ্ষা, ঘৃণা, সন্দেহ, অনুমান আৰু ব্যৰ্থ চিন্তন সমূহ। যি হ'ল সেয়াও লাভজনক আছিল, যি হৈ আছে সেয়াও লাভজনক আৰু ইয়াৰ পিছত যি হ'ব সেয়াও লাভজনক হ'ব। যেতিয়া আমি নিয়মিতভাৱে এই ধৰণৰ অনুশীলন কৰিবলৈ আৰম্ভ কৰিম, তেতিয়া আমাৰ ভিতৰত ধনাত্মক শক্তিৰ সৃষ্টি হ'ব। আমি এই প্ৰথা বৃদ্ধি কৰি যোৱাৰ লগে লগে নেতিবাচক চিন্তাৰ সংস্কাৰবোৰ স্বয়ংক্ৰিয় ভাৱে আমাৰ মাজত শেষ হৈ যাব। আমি জীৱনত প্ৰকৃত আনন্দ, শান্তি আৰু অতিইন্দ্ৰিয় সুখৰ অনুভৱ কৰিব পাৰিম। আমি মাত্ৰ প্ৰথম পদক্ষেপটো ল'ব লাগিব, তাৰ পিছত সেই ঈশ্বৰৰ দ্বাৰা হাজাৰ হাজাৰ পদক্ষেপ স্বয়ংক্ৰিয়ভাৱে বৃদ্ধি পাব।

বিশ্ব পৰিৱৰ্তন হ'ব কেৱল আত্ম-পৰিৱৰ্তনৰ জৰিয়তেহে, যাৰ ভিত্তি হ'ব ইতিবাচক চিন্তাধাৰা, যাৰ ব্যৱহাৰিক জ্ঞান বিনামূলীয়াকৈ লাভ কৰিব পৰা যাব প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয়া বিশ্ব বিদ্যালয়ৰ আপোনাৰ নিকটৱৰ্তী সেৱা কেন্দ্ৰলৈ গৈ। আপুনি যি বীজ সিঁচিব তেনেকুৱা পাব আৰু আপুনি যি ভাৱে, সেইটোৱেই হ'ব সেয়া এক চিৰন্তন সত্য ।

# A legend is a legend

দেউতাক খোলাখুলি কৈ কলে যে আৰু একো নপঢ়ে, কেৱল ছবি হে আঁকিব। দেউতাই বৰদেউতাৰ লগত আলোচনা কৰি নীলদাক পশ্চিম বংগৰ শান্তিনিকেটনত ফাইন আৰ্টছ ত ভৰ্তি কৰাই দিলে। তাত থাকোতে বন্ধ হলেই নীলদা গুৱাহাটীলৈ আহি আমাৰ ঘৰতে থাকিছিলহি। তেতিয়ালৈ মেয়ো ডাঙৰ হৈছিলো আৰু নীলদাৰ পৰা শান্তিনিকেটনৰ নানা মন ভৰা কাহিনী শুনিছিলো। লগৰ বান্ধৱী চৈতালি ৰয়ৰ কথা বিশেষভাৱে নীলদাই মাৰ আগত কোৱা শুনিছিলো। বিশ্বৰ আন আন ঠাইৰ পৰাও ছাত্ৰ ছাত্ৰী শান্তিনিকেটনত আছিল আৰু নীলদা বহুতৰ লগতে বন্ধু হৈ পৰিছিল আনকি মেয়ো নীলদাৰ পৰা তেতিয়াই জাপানীত কোৱা সুপ্ৰভাত - ohayo gozaimasu, hello or good day- 'kon'n-chiwa, thank you- 'arigato'.. মনত ৰাখিবলৈ লিখি থৈছিলো।

পাছলৈ নীলদাই চিগাৰেটৰ পেকেট হাতত লৈ থকা দেখিছিলো কিন্তু মা দেউতা থকা বাবেই হয়তো খোৱা দেখা নাছিলো কিন্তু চাৰমিনাৰ চিগাৰেটৰ পেকেটত বিভিন্ন ছবি আঁকা দেখা পাইছিলো। ওচৰত যিহকে পায়, মাটিৰ কলহ, কাঠৰ টুকুৰা-একোৱেই বাদ নিদিছিল। তেওঁ শান্তিনিকেটনত ভাস্কৰ্য্যও শিকিছিল বাবে তাৰ পৰা একেবাৰে গুছি অহাৰ পাছত গুৱাহাটীত ফাইন আৰ্টছ এণ্ড ক্ৰাফ্ট সচাঁইটি আৰম্ভ কৰিছিল আৰু গুৱাহাটী মিউজিয়ামত থকা তেঁতেলি গছৰ তলত চাহ খোৱাৰ বন্দবস্ত কৰিছিল যাতে শিল্পী সকল লগ হৈ ভাব বিনিময় কৰিব পাৰে। তেজপুৰ বিশ্ববিদ্যালয়ত archive হিচাবে The Neelpawan Baruah Museum of Modern Art বুলি নীলদাৰ চিত্ৰ, ভাস্কৰ্য্য সংৰক্ষণ কৰা হৈছে।

মাজুলী লৈ গৈ মুখা শিল্পৰ লগত জড়িত হৈ গুৱাহাটীত তিনি মহীয়া কৰ্মশালাৰো আয়োজন কৰিছিল নীলদাই তদুপৰি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আহিৰ্ত বৃন্দাবনী বস্ত্ৰৰ বয়ন শিল্পক পুনৰ জীৱিত কৰাৰ চেষ্টা চলাইছিল।

হঠাতে নীলদা আহি দেউতাক কলেহি, "দাদা ( খুড়াক যদিও দেউতাক নীলদা হতে দাদা বুলিয়েই মাতিছিল) - মই দীপালিক বিয়া কৰাব খুজিছো '। দেউতা অবাক, 'কোন দীপালি ?' নীলদাৰ উত্তৰ "আৰে দাদা দীপালিকো নজনা হলা নে ? কথা দেখোন পাতিয়েই থাকা ভবেন বৰঠাকুৰৰ ঘৰলৈ গলে " ! দেউতাক তাৰ পাছত নীলদাই আৰু কি কলে নাজানো কিন্তু দেখিলো দেউতাই নীলদাক সাৱটি ধৰিছে....

১৯৭৬ চনত তেজপুৰত নীলদাই দীপালি বৰঠাকুৰক বিয়া কৰাই আমাৰ ঘৰৰ ওচৰত ঘৰ এটা ভাড়া কৰি থাকিবলৈ লোৱাত আমি সঘনাই তেওঁলোকক লগ কৰিবলৈ গৈছিলো। দীপালি বৌৰ মৰমবোৰো পাহৰিব নোৱাৰো। বিয়াৰ পাছত থৰক বৰক কৈ হলেও আমাক চাহ কৰি খুৱাইছিল কিন্তু কাপটো বৰ কষ্টেৰেহে দাঙিব পাৰিছিল, হাতৰ আঙুলিত জোৰ নথকা কাৰনে।

নীলদাৰ দৰে স্বামী পোৱা বৌৰ ভাগ্য বুলি কব লাগিব। ক্ৰমশঃ শৰীৰৰ অৱস্থা বৌৰ বেয়া হৈ অহাৰ পাছত অসহায় হলেও নীলদাই পাৰ্যমানে বৌক সকলো সময়তে আৱৰি ৰাখিছিল। পাছত নিজাকৈ ঘৰ সাজি সৌৰভ নগৰত থাকিবলৈ যোৱা আৰু মোৰো বিয়া হৈ মুম্বাইলৈ অহাত নীলদা আৰু বৌৰ খবৰ আনৰ পৰাহে পাইছিলো। নীলদাৰ শিশুসুলভ হাঁহি আৰু সহজ সৰল মৰমবোৰৰ কথা সুঁৱৰি আজি মাথো চকুপানী টুকি কৈছো - নীলদা বৌৰ লগতে শান্তিৰে থাকাগৈ ।

# আপোন

**দিলীপ মজুমদাৰ,**
**ভেটাপাৰা**



আই তাই মোৰ বৰ আপোন
চৌ পাহ বেৰি আছ যে মোৰ
প্ৰেমত ঘূৰে ভূমণ্ডল নিতে ফুলে শতদল।
ভাবিছিলো গ্ৰহ নক্ষত্ৰৰ দৰে
আজীৱন আবৰিবি সুখে দুখে
কক্ষ চ্যুত কৰি আই তইও আতৰিলি।
দিনতেই এন্ধাৰ দেখো সেই দিন ধৰি।
পিছে জীৱনত চপালো যি জনী
কণাৰ লাখুতিৰ দৰে তাই মোৰ সংগী।
লাহে লাহে তোৰ স্থান তেওঁ পুৰাইছে
হৰিশ মনৰে আছো আমি সুখে দুখে।

# ENGLISH NEWS SECTION

## Round Table Discussion on Tobacco Taxation

Guwahati,Rongili Barta: It is unanimously accepted that levying heavy taxes on tobacco products is one of the most effective road-map of reducing tobacco consumption by the common consumers in the Round Table Discussion on Tobacco Taxation jointly organized by Department of Economics, Pandu College, Guwahati & Consumers' Legal Protection Forum, Assam and supported by Consumer VOICE, New Delhi held at Pandu College today. The economist, experts and the government officials exchange their views on the current status of tobacco taxation in details. Dr. Jogesh Kakati, Principal, Pandu College inaugurate the Round Table Discussion and appeal student community to create awareness among the common people on the harmful effects of Tobacco products on human health and life. Dr. Mrinal Kanti Dutta, Professor of Economics, Humanities and Social Sciences Department, IIT-Guwahati attended and said that fiscal intervention in the form of imposition of taxes on tobacco products is justified. As of now, tobacco products in India are taxed at the maximum admissible rate of 28%, although there is scope to enhance the tax rate up to a maximum of 40%. Dr. Nissar Ahmed Baruah, Professor, Department of Economics, Gauhati University said that though taxation is an effective tobacco control measure but taxation on to-




bacco products in India faces the criticism that it is not adjusted to the price inflation. Attending the Round Table Discussion on Tobacco Taxation, Dr. Mousumi Borah Associate Professor, Department of Economics, Arya Vidyapeeth College, Guwahati suggested that in order to control the consumption of chewing tobacco it needs to be sold in a minimum pack of 50 gm or 100gm to reduce its affordability along with the increase of Tax rate on tobacco. Bedabrata Saikia, Superintendent, State GST, Assam Govt. assured that Govt. will impose as much tax as it can on Tobacco products as per law. Dr. Rijo M. John, Associate Professor, Rajagiri College of Social Sciences, Kochi & Principal Consultant Economist, CTFK, Washington DC said in the Round Table Discussion that India loses 1% of its GDP to diseases and early deaths from tobacco. For every Rs 100 received as taxes from tobacco products, Indian economy loses Rs 816. Ashim Sanyal, COO, CONSUMER Voice, New Delhi in his speech said that no increase of tax for last five years has made tobacco products more affordable and this should be corrected immediately which will generate more revenue, reduced consumption of tobacco products resulting in less health care expenditure for the government. In his welcome address Advocate Ajoy Hazarika, Secretary, Consumers' Legal Protection Forum, Assam said that In India the total effective tax burden is only about 53% for cigarettes, 22% for bidis and 60% for smokeless tobacco, whereas, the WHO recommends a tax burden of at least 75% for all tobacco products. Dr. Angana Bora, HOD, Economics Department, Pandu College in her closing remarks said that tax rates on tobacco should be monitored, increased or adjusted on a regular basis, potentially annually, taking into account inflation and income growth developments in order to reduce consumption of tobacco products.

## Providing high-quality educational opportunities will determine the future of India: Governor

Guwahati, November 4: "India is going to have the highest population of young people in the world over the next decade. In this context, our ability to provide high-quality educational opportunities to them will determine the future of our country," said Assam Governor Prof. Jagdish Mukhi while attending a book release function on 'National Education Policy, 2020: The Road Ahead (With Special Focus on North East India)' at National Law University and Judicial Academy campus. Speaking at the book release function, Governor Prof. Mukhi said, "We all know that education is fundamental for achieving full human potential, developing an equitable and just society. Universal high-quality education is the best way forward for developing and maximizing our country's rich talents and resources for the good of the individual, society and country. India will have the highest population of young people in the world over the next decade. Therefore, our ability to provide high-quality educational opportunities to them will determine the future of our country." Prof. Mukhi said that the NEP, 2020 is a futuristic manifesto that could bolster the growth and progress of the nation. The policy lays forth a comprehensive scheme towards re-engineering of the Indian educational system, from the pre-primary to higher education. However, the implementation and adaptation of the policy requires earnest pursuit from all stakeholders. Higher Educational Institutes ought to build their strategy in order to ascertain the implementation of the NEP, in letter and spirit. The Governor also said, "The National Education Policy 2020 is the first education policy of the 21st century that aims at re-engineering the educational ecosystem of the country. NEP, 2020 is a step towards realizing the 4th goal of United Nations Sustainable Development



Goals which aims to ensure inclusive and equitable quality education and promote lifelong learning opportunities for all by 2030." Lauding the efforts of NLUJA, the Governor said that the book 'National Education Policy, 2020: The Road Ahead (With Special Focus on North East India)' is a commendable initiative by National Law University and Judicial Academy, Assam. The book focusses on the North East region and is expected to deliberate on implementation mechanics suited to the regional dynamics. Another, promising aspect of the book is that it has endeavoured to gather inter-disciplinary and multi-disciplinary perspectives to help understanding different issues of the North East and giving their solutions to stimulate the growth and development of the region.




## Beauty of the Week



**Akashi Baruah**

## Art of the Week



**Jutimala Barthakur**

## Photography of the Week



**Mr.Nilotpal, Jorhat**

#Beauty of the Week, #Art of the Week আৰু # Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক

**E-mail-**
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286